# দুধনৈ মহাবিদ্যালয়ৰ আলোচনী




DUDHNOI COLLEGE
ESTD-1972

# দুধনৈ মহাবিদ্যালয় আলোচনী

বাৰ্ষিক প্ৰকাশ

সপ্ত বিংশতিতম্ বৰ্ষ ঃ পঞ্চদশ সংখ্যা

তত্বাৱধায়কঃ
অধ্যাপক ড° ৰজত চন্দ্ৰ ৰাভা

সম্পাদক ঃ
শ্ৰী গৌতম কুমাৰ ৰাভা

# দুধনৈ মহাবিদ্যালয় আলোচনী

## সম্পাদনা সমিতি

| | |
|---|---|
| সভাপতিঃ | শ্ৰী ক্ষীৰোদ খাখলাৰী, ভাৰপ্ৰাপ্ত অধ্যক্ষ |
| তত্বাবধায়ক ঃ | ড° ৰজত চন্দ্ৰ ৰাভা |
| সম্পাদক ঃ | শ্ৰী গৌতম কুমাৰ ৰাভা |
| সদস্য/সদস্যাবৃন্দঃ | শ্ৰী জীবেশ্বৰ কোচ |
| | শ্ৰী আশোক ৰঞ্জন ভট্টাচাৰ্য |
| | শ্ৰী দিপালী ডেকা |
| | ড° কল্যাণ বৰুৱা |
| বেটুপাতৰ শিল্পীঃ | ৰিপন ৰয় |

মুদ্ৰণ - অভিনৱ প্ৰিন্টাৰ্চ,

বাপুজীনগৰ, গোৱালপাৰা দূৰভাষ নং- ৪২২৬১

2001 - 02

# শুভেচ্ছা



আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনৰ বছৰেকীয়া প্ৰকাশৰ ধাৰাবাহিকতা অব্যাহত থকাত আনন্দিত হৈছোঁ। আলোচনীখনৰ লগত জড়িত থকা সকলোলৈকে আন্তৰিক শুভেচ্ছা জনাইছোঁ।

তাং ঃ ৩০/৭/২০০২

শ্ৰীশ্ৰীবিনোদ খাখলাৰী

**ভাৰপ্ৰাপ্ত অধ্যক্ষ**

দুধনৈ মহাবিদ্যালয়।

# সম্পাদকীয়



প্ৰতিবেদন লিখনিৰ আৰম্ভণিতে মই আমাৰ দেশমাতৃৰ অস্তিত্ব ৰক্ষাৰ অৰ্থে যিসকল বীৰ শ্বহীদে দেশমাতৃৰ বুকুত প্ৰাণ বিসৰ্জন দি বীৰত্ব প্ৰদান কৰিলে সেই সকললৈ মোৰ অশেষ শ্ৰদ্ধা আৰু সমবেদনা জ্ঞাপন কৰিলো। লগতে ২০০১-২০০২ বৰ্ষৰ দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদকৰ বাবে মোক সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিয়াৰ বাবে সমূহ বন্ধু-বান্ধৱী, জ্যেষ্ঠ তথা কনিষ্ঠ ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা যাচিলো।

আলোচনীখনৰ সম্পাদকৰ কাম বহুৰটোত পৰিস্থিতি সাপেক্ষে ব্যস্ততাৰ উপৰিও আন বহুতো আনুষাংগিক অসুবিধাৰ হেতুকে পলমকৈ প্ৰকাশ পালে। তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। তদুপৰি আলোচনী প্ৰকাশৰ ক্ষেত্ৰত অজানিতে ৰৈ যোৱা ভুল ত্ৰুটিৰ বাবে কৰযোৰে ক্ষমা বিচাৰিছো। সম্পাদকৰ ক্ষেত্ৰত আৰম্ভণিৰ পৰা শেষলৈ সৰ্বাত্মক সহযোগ আগবঢ়াইছে তত্বাৱধায়ক প্ৰবক্তা ড° ৰজত চন্দ্ৰ ৰাভা প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিশত পৰামৰ্শ দান কৰা বাবে ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীক্ষীৰোদ খাখলাৰী প্ৰবক্তা শ্ৰীজীৱেশ্বৰ কোচ, প্ৰবক্তা শ্ৰীঅশোক ৰঞ্জন ভট্টাচাৰ্য মহোদয় সকলোলৈ আন্তৰিক কৃতজ্ঞতা জনাইছো। মোক বিভিন্ন কামত সহায় কৰা ৰিপন ৰয়, শ্যামজিত ৰাভা, কুলদ্বীপ তালুকদাৰ, জয়দেৱ ৰাভা, জনমেৰি দৈমাৰী এই সকল বন্ধুলৈ মোৰ মৰম আৰু শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত দুধনৈ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি এই প্ৰতিবেদন সামৰিলোঁ।

'জয়তু দুধনৈ মহাবিদ্যালয়'

ধন্যবাদ সহকাৰে

**শ্ৰীগৌতম কুমাৰ ৰাভা**

**সম্পাদক, আলোচনী।**

# সূচীপত্র

## অসমীয়া বিভাগ


প্ৰবন্ধ -

বিক্ষুব্ধ যুব মানসিকতা - এটি চমু আভাষ - আবুল হুছেইন /১

আইনষ্টাইনৰ বিশেষ আপেক্ষিকতাবাদ, ল'ৰেন্টজ্‌ৰ সমীকৰণ আৰু কাল প্ৰসাৰণ - নৰৰাজ শৰ্মা /৪

মানৱ জীৱন আৰু বিকিৰণ - ধ্ৰুৱ কলিতা /৮

পাৰমানৱিক শক্তি আৰু ভাৰত - অজয় ৰাভা /১২

গল্প-

মৰমীৰ উপলব্ধি - সুৱৰ্ণ ৰায়, মিচ্ স্নিগ্ধা দেৱী ৰায় /১৪

প্ৰথম প্ৰেম - কৃষ্ণ বাহাদুৰ ভূজেল /১৮

বাস্তৱতাৰ আঁৰত - ৰাজীৱ ৰাভা /২১

পৰনিন্দা - শ্যামজিত ৰাভা /২৩

কবিতা

স্মৃতিৰ সৰাপাত বিচাৰি - স্নিগ্ধা ৰাভা /২৪

চাকৈ চকোৱা - প্ৰৱোধ কলিতা /২৫

নাৰী তুমি অৰ্ধ আকাশ - পদুমী নাথ /২৬

নিজৰা - পূৰ্ণপাম বাইদা /২৬


## ৰাভা বিভাগ


প্ৰবন্ধ

ৰাভা সমাজতি সম্পত্তিনি অধিকাৰ - মনোজ কুমাৰ ৰাভা /২৭

কবিতা

হান্দাৰকায় মাজাৰি - জয়ন্ত ৰাভা /৩০

মুনি পাৰ কায় ফুল - অৰ্জুন কুমাৰ ৰাভা /৩০

নাচিকায় তোপাক - মৃদুলা ৰাভা /৩১

আলাং চালাং নিৰমনি নিৰচিন - বসন্ত কুমাৰ ৰাভা /৩১

## বড়ো বিভাগ

প্ৰবন্ধ


समखौ थिपै बाहायनाया जीउनि मोनसे गोनांथार बाहागो - नबीन चन्द्र खाखलारी /৩২

कलेज: फरायनायाब बर' फरायसानि जेंना - मामनि खाखलारी /৩৩


কবিতা


आफा - मुश्री जितेन बसुमतारी /৩৪

सिमांनि रजे - प्रणय ब्रह्म दैमारी /৩৫

जाइरुलं सिमां — सन्जय बसुमतारी /৩৬

मासे सिखिरिनि दाहा - नबीन चन्द्र खाखलारी /৩৭

नां आंनि आंगो जिउनि - मामनी खाखलारी /৩৭


**ENGLISH SECTION**

ARTICLES


GEO-POLITICAL CHANGES OF GOALPARA DISTRICT, ASSAM. - Birbal Boro /৩৮

NEED OF ENVIRONMENTALLY SUSTAINABLE AGRICULTURAL DEVELOPMENT IN INDIA. - N.B. Sheikh /৪৩

GREEN HOUSE GASES AND THEIR IMPACT ON CLIMATE - Abdul Kader /৪৬

PROFESSIONALISM IN HIGHER EDUCATION - Mrs. Parul Nath /৪৮

COMPUTER : AN ESSENTIAL PART OF MODERN LIFE - Ajay Das /৫১


POETRY


The Great God Makes All - Ratanlal Rabha /৫৩

In the Heart of a seed - Prafulla Kumar Sutradhar/৫৩

The Best Story - Namita Kachari /৫৪


বিভাগীয় সম্পাদকৰ প্ৰতিবেদন

RESULT OF ANNUAL COLLEGE WEEK 2001-2002

STARS OF THE DUDHNOI COLLEGE

# বিক্ষুদ্ধ যুৱমানসিকতা ঃ

## -এটি চমু আভাস



আবুল হুছেইন,
প্রবক্তা, ৰসায়ন বিজ্ঞান বিভাগ

বর্তমান যুৱমানসিকতালৈ বিভিন্ন মহলত আলোচনা-বিলোচনা হৈছে। বাতৰি কাকত আলোচনী আদিতো এই সম্পর্কে বহুত লেখক, বুদ্ধিজীৱিয়ে আলোকপাত কৰিছে। প্ৰকৃততে যুৱমানসিকতাৰ যি অৱক্ষয় হৈছে সি হঠাৎ হোৱা নাই। বিভিন্ন পৰিস্থিতি আৰু পৰিবেশত আজিৰ যুৱক যুৱতীসকল বিক্ষুদ্ধ হৈছে। বর্তমান আমাৰ চাৰিওফালে এনে অসুস্থ আৰু কদৰ্য পৰিবেশ বিৰাজ কৰিছে য'ত মানুহে মানুহক চিনি নোপোৱা হৈছে। মানুহৰ মানৱীয় গুণবোৰ ক্ৰমান্বয়ে হ্ৰাস হৈ হৈ এক যান্ত্ৰিক আৰু বেদনাদায়ক পৰিবেশত বসবাস কৰিব লগা হৈছে। শুদ্ধকৈ ক'ব গ'লে আজি বিশৃংখল যুৱমানসিকতাৰ দৰে সমস্যাবোৰক সৃষ্টি কৰা হৈছে, যাৰবাবে দায়ী উঠি অহা যুৱক-যুৱতী সকল নহয়। দায়ী হ'ল প্ৰত্যেকজন যুৱক-যুৱতীৰ পিতৃ-মাতৃ, দায়ী হ'ল সমাজৰ কর্ণধাৰ সকল দায়ী হ'ল শিক্ষকসকল আৰু দায়ী হ'ল দেশৰ ধৰণীস্বৰূপ শাসকগোষ্ঠী।

ৰক্ষণশীল সমাজত পিতৃ-মাতৃৰ লগতে আধুনিক চিন্তাৰ্চচাৰে পৰিপুষ্ট যুৱক যুৱতীসকলৰ দ্বন্দ্ব এক নৈমিত্তিক ঘটনা। আধুনিক জীৱন যাপনত মুঠেই আগ্ৰহশীল নোহোৱা পৰিয়ালৰ প্ৰধান চামৰ লগত উঠি অহা যুৱক-যুৱতীৰ চিন্তাচৰ্চাৰ প্ৰভেদ থকাত ঘৰুৱা পৰিৱেশত সন্তানবোৰ ডাঙৰ দীঘল হয় ঠিকেই কিন্তু যৌৱনৰ দুৱাৰমুখ নেপাওঁতেই দিনটোৰ বেছিভাগ সময় কটায় বাহিৰত আড্ডা পিটি। কিছুমান যুৱকে কেৱল ৰাতি শোৱাৰ বাবেই ঘৰলৈ অহাও দেখা যায়। এনে এক পৰিস্থিতিত ল'ৰা সম্পূৰ্ণৰূপে পিতৃ-মাতৃৰ নিয়ন্ত্ৰণৰ বাহিৰলৈ গুচি যায়। আকৌ ঘৰখনত স্বামী-স্ত্ৰীৰ মাজত যদি সঘনাই কাজিয়া হৈ থাকে তাৰ প্ৰভাৱ ল'ৰা- ছোৱালীৰ ওপৰত বেয়াধৰণে প্ৰতিফলিত হয়। এই ধৰণৰ পৰিয়ালত কেতিয়াবা কেতিয়াবা ল'ৰাই মাকৰ পক্ষলৈ দেউতাকক এঘৰীয়া কৰাও দেখা যায়। প্ৰথমতে ঘটনা বিলাক সৰু সুৰা বিষয়ৰ পৰাই সূত্ৰপাত

হয় যদিও, পিছলৈ তাৰ পৰিণতি হয় ভয়ানক। দিনযোৱাৰ লগে লগে পৰিৱেশ বিষাক্ত হৈ উঠে আৰু যৌৱনপ্ৰাপ্ত যুবক-যুৱতীসকল মানসিকভাৱে বিক্ষুদ্ধ হয়। অবিশ্বাস্য হ'লেও সত্য যে, লোভ, মোহ, হিংসা আদি বেয়াগুণবোৰ ঘৰখনৰ পৰাই শিশুৱে শিকে; সময়ত কেৱল সেইবোৰ অভ্যাসত পৰিণত হয়। এবাৰ অভ্যাস গঢ়ি উঠিলে তাক ৰোধ কৰা কঠিন হৈ পৰে।

চিৰসত্য কথাটো হ'ল মানুহ সামাজিক জীৱ। প্ৰত্যেকজন মানুহেই সমাজৰ একো একোটা অংগ। সমাজৰ ভাল বেয়া পৰিবেশৰ দ্বাৰা সকলোৱে প্ৰভাৱিত হয়। বৰ্তমান সমাজত যুৱশক্তিৰ অহৰহ অপচয় হৈ আছে। অসামাজিক কাৰ্যকলাপ বাঢ়ি গৈ গৈ এক তিক্ত তথা বিষাক্ত পৰিবেশৰ সৃষ্টি হৈছে যাৰ পৰিণতিত যুৱকচাম বেয়াৰফালে ঢাল খাইছে। কোনো কোনো ক্ষেত্ৰত নিজ আত্মীয় স্বজনৰ লগত যি দ্বন্দৰ সৃষ্টি হয় তাৰপৰা পিছত হত্যাৰ নিচিনা জঘন্য কামো সংঘটিত হয় আৰু এনেবোৰ কাৰ্যত উঠি অহা যুৱকচামক আৱেগিক কৰি লিপ্ত কৰাও দেখা যায়। আৱেগ অনুভূতিৰে চালিত যুৱকসকলক সমাজৰ হৰ্তাকৰ্তা সকলে বিভিন্ন অসামাজিক কাৰ্যত নিয়োগ কৰি তেওঁলোকৰ চিন্তাৰ গভীৰতা কিমান তাৰ সম্ভেদ দিয়ে। বিভিন্ন অনুষ্ঠান, ক্লাব বা সেইলেখীয়া আড্ডাত বহি তাচখেলাৰ পৰা আৰম্ভ কৰি মদ জুৱা সকলো চলাইছে যুৱকচামৰ লগত। চল্লিশৰ দেওনা পাৰ হোৱা এনে বহুত ব্যক্তি ওলাব যি সকলে চৈধ্য পোন্ধৰ বছৰীয়া ল'ৰাৰ লগত তাচ, জুৱা বা মদৰ আড্ডাত বহি দিন কটাইছে। এনে অসূয়া-পৰিৱেশত আজিৰ যুৱকচাম মানসিকভাৱে পংগু হোৱাই নহয় নৈতিক চৰিত্ৰকো জলাঞ্জলী দিছে স্বতঃস্ফুৰ্ত ভাৱে।


যুৱমানসিকতাৰ স্খলন ঘটোৱাত যিবোৰ কাৰকে ইন্ধন যোগাইছে তাৰ ভিতৰত শিক্ষক সকলৰ কাৰ্যকলাপো উল্লেখযোগ্য। অৰ্থাৎ যুৱমানসিকতাৰ গৰাখহনীয়াত শিক্ষক সমাজকো দোষাৰোপ কৰা হৈছে। প্ৰত্যেকজন ব্যক্তিয়ে জানে যে, শিক্ষানুষ্ঠানৰ পৰাই ছাত্ৰ-ছাত্ৰী সকলে ভৱিষ্যত জীৱনৰ ভেটি বান্ধি লয়। শিক্ষানুষ্ঠানবোৰ কেৱল শিক্ষাৰ কেন্দ্ৰই নহয়, শিক্ষানুষ্ঠান সমূহ হ'ল জ্ঞান মন্দিৰ য'ৰ পৰা জ্ঞানৰ পোহৰ চাৰিওফালে সিঁচৰিত হয়। প্ৰত্যেকজন পিতৃ-মাতৃয়ে নিজ সন্তানক এজন সৎ আদৰ্শ তথা পূৰ্ণ ব্যক্তিৰূপে পৰিচিত পাবলৈ বিচাৰে আৰু সেই লক্ষ্য সন্মুখত ৰাখিয়েই শিক্ষা-দীক্ষাৰে জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিবলৈ ল'ৰা-ছোৱালীক শিক্ষানুষ্ঠানলৈ পঠায়। কোৱা বাহুল্য যে আঙুলিৰ মূৰত হিচাপ কৰিব পৰা আদৰ্শ শিক্ষকৰ বাদে আজিৰ শিক্ষকসকলৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে প্ৰয়োজন খিনি আশা কৰিব নোৱাৰে। বাতৰি কাকত মেলিয়েই শিক্ষক সমাজৰ প্ৰতি ঘৃণাভাৱ জন্মে। শিক্ষকে ছাত্ৰীক ধৰ্ষণ কৰা, ছাত্ৰীক লৈ শিক্ষক পলাতক, দূৰ্নীতিৰ লগত জড়িত শিক্ষক, বিভিন্ন কুসংস্কাৰত লিপ্ত হৈছে শিক্ষক। এক কথাত ক'ব গ'লে নৈতিক চৰিত্ৰৰ অধঃ পতন ঘটিছে শিক্ষক সকলৰ। নৈতিক চৰিত্ৰৰ অধঃ পতন ঘটা শিক্ষকৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে ভাল দৃষ্টান্ততো ল'ব নোৱাৰেই বৰঞ্চ বেয়াগুণৰ প্ৰভাৱ ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰতো প্ৰতিফলিত হয়। অৰ্থাৎ আদৰ্শ শিক্ষকৰ পৰাহে ভাল চৰিত্ৰ আশা কৰিব পৰা যায় আৰু আদৰ্শ শিক্ষক মানেই যে, শ্ৰদ্ধাৰ পাত্ৰ তাক নক'লেও হ'ব। মনোবিজ্ঞানৰ মতে আকৌ যিজন শিক্ষক ছাত্ৰ-ছাত্ৰীৰ শ্ৰদ্ধাৰ পাত্ৰ, সেইজন শিক্ষকৰ পাঠদানত ছাত্ৰ-ছাত্ৰীয়ে সদায় মনোযোগ দিয়ে অৰ্থাৎ শিক্ষণ পদ্ধতিটোত যিয়েই নেথাকক কিয় শিক্ষণ প্ৰণালীৰ সকলো নিৰ্ভৰ কৰে একমাত্ৰ

শিক্ষক সকলৰ ওপৰত। ইংৰাজ কবি লৰ্ড বাইৰণ স্কুল এখনৰ প্ৰধান শিক্ষক আছিল। শিক্ষক আৰু শাসক হিচাপে লৰ্ড বাইৰণৰ যথেষ্ট কৃতিত্ব আছিল। এদিন ইংলেণ্ডৰ ৰাণীয়ে বাইৰণৰ স্কুলখনলৈ যোৱাৰ অনুমতি বিচৰাত বাইৰণে অমান্তি হ'ল। লৰ্ড বাইৰণৰ যুক্তি আছিল ৰাণীয়ে স্কুলখনলৈ গ'লে ৰাণীৰ মৰ্যাদা অনুসাৰে শিক্ষকসকলে সন্মান যাচিব লাগিব আৰু সেই কাৰ্যৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ দৃষ্টিত শিক্ষকসকলতকৈয়ো ডাঙৰ মানুহ ইংলেণ্ডত আছে। বাইৰণৰ মতে, ছাত্ৰ-ছাত্ৰী সকলৰ দৃষ্টিত শিক্ষক সকল সদায় ডাঙৰ মানুহ আৰু তেনে মানসিকতা থাকিলেহে ছাত্ৰ-ছাত্ৰী সকলে শিক্ষকৰ কথা আৰু কাৰ্য অনুসৰণ কৰে। ইয়াৰ পৰা বুজা যায় যে চৰিত্ৰবান শিক্ষকৰ পৰাহে ছাত্ৰ-ছাত্ৰীয়ে প্ৰকৃত শিক্ষা ল'ব পাৰে।

সম্প্ৰীতি, নৈতিক দায়িত্বলৈ পিঠি দি ৰাজনীতিবাদৰ হাতৰ পুতলা হৈছে শিক্ষকসকল। শিক্ষক সকলেই যেতিয়া অসূয়া পৰিবেশৰ দাস হৈছে তেখেতসকলে ছাত্ৰ-ছাত্ৰীক কি শিক্ষা দিব পাৰে সেয়া এক আলোচ্য বিষয়। অৱশ্যে ভাল শিক্ষক নথকা নহয়। কিন্তু উলুৰ লগত বগৰি পোৰা দি দোষ ত্ৰুটিবোৰ সকলোৰে গাত চিটিকি পৰাটো স্বাভাৱিক। আজিৰ যুৱক-যুৱতীসকলৰ বিক্ষুব্ধ মানসিকতাত শিক্ষকৰ গ্লানিয়ে অৰিহনা যে যোগাইছে সেয়া বাস্তৱ সত্য। আজি প্ৰায়বোৰ শিক্ষানুষ্ঠানতেই দুৰ্নীতিৰ শিপা বিয়পাইছে। ইয়াৰ বাবে দায়ী কেৱল ছাত্ৰ-ছাত্ৰী সকল নে? নক'লৈও হ'ব যে শিক্ষক সকলে ছাত্ৰ-ছাত্ৰীক সৎপথত পৰিচালিত কৰিবলৈ অপাৰগ হৈছে। শিক্ষকসকলে তেওঁলোকৰ ব্যক্তিগত জীৱনৰ দৃষ্টান্তৰে ছাত্ৰ-ছাত্ৰী সকলক সৎ পথত পৰিচালিত কৰিবলৈ অসমৰ্থ হৈছে। অৱশ্যে সকলো দোষৰ বোজা শিক্ষকসকলৰ গাত জাপি দিলেই নচলিব আৰু যুৱক-যুৱতীসকল বা ছাত্ৰ-ছাত্ৰীসকলকো নিশ্চয় নিৰ্দোষী বুলি মানি ল'ব নোৱাৰি। আটাইতকৈ ঘৃণনীয় দিশটো হ'ল শাসকগোষ্ঠীয়ে যুৱকচামক সস্তীয়া দৰদামত ৰাজনীতিৰ পথাৰত সিঁচৰিত কৰি সুবিধা লুটিছে। এহাতে যেনেদৰে যুৱক চামক আৱেগিক কৰি ৰাজনৈতিক দলবোৰে হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰিছে অন্যহাতে মাছ বজাৰত মাছ কিনাৰ দৰে লাখ লাখ টকাৰ বিনিময়ত চাকৰি কিনি লৈছে গৃহ-ভূমি বিক্ৰী কৰি। শিক্ষাৰ মানদণ্ডক তুচ্ছ জ্ঞান কৰি মাথোন টকাৰ বিনিময়ত চাকৰি দিয়া প্ৰথা যেতিয়া চালু হৈছে সঠিক অৰ্হতা সম্পন্ন গৰীৱ ল'ৰা ছোৱালীয়ে হতাশ হৈ অসৎ ৰাস্তা বাছি লৈছে জীয়াই থকাৰ তাড়নাত। এনে এক অসহায় অৱস্থাত যুৱক-যুৱতী সকলৰ শিক্ষাৰ প্ৰতি ঘৃণাভাৱ জন্মাই নহয়, মানসিকভাৱে বিক্ষুব্ধ হোৱাটো একো আচৰিত কথা নহয়। এতিয়া চাকৰিৰ নিলাম বজাৰত প্ৰয়োজনীয় অৰ্হতা হৈছে ধনৰ টোপোলা । যোগ্যতাৰ ভিত্তিত চাকৰি দিয়া নিয়ম একধৰণৰ অপৰাধত পৰিণত হোৱাত উৎসাহ, প্ৰেৰণা তথা মনোবল ভাঙি পৰিছে ছাত্ৰ-ছাত্ৰী সকলৰ। শাসকগোষ্ঠীৰ কৰ্মমুখী আঁচনি নথকা হেতুকে যুৱক যুৱতীসকল মানসিকভাৱে পংগু হৈছে। এনেদৰে দিনবোৰ গৈ থাকিলে ভৱিষ্যত প্ৰজন্মই কেৱল অন্ধকাৰতেই ডুবগৈ নাথাকিব, মানুহ হিচাপেও পৰিচয় দিবলৈ অসমৰ্থ হ'ব। সমাজৰ কৰ্ণধাৰ সকলে, বুদ্ধিজীৱি সকলে আৰু শিক্ষক সমাজে আত্মশুদ্ধিৰে এই বিষয়ে চিন্তাচৰ্চা কৰা উচিত। প্ৰকৃত সত্যৰ উদ্‌ঘাটন কৰি যুৱক-যুৱতীসকলক বাস্তৱমুখী আৰু কৰ্মমুখী কৰি গঢ় দিয়াৰ দায়িত্ব সকলো শ্ৰেণীৰ মানুহেই ল'ব লাগিব নিশ্চয়। ইয়াৰ বাবে এক সুস্থ আৰু নিকা গণতান্ত্ৰিক পৰিবেশ নিত্যান্তই অপৰিহাৰ্য্য।

# আইনষ্টাইনৰ বিশেষ আপেক্ষিকতাবাদ, ল'ৰেন্টজ্‌ৰ সমীকৰণ আৰু কাল প্ৰসাৰণ

নৰৰাজ শৰ্মা
পদাৰ্থ বিজ্ঞান বিভাগ



মহাকাশ যাত্ৰাৰ শেষত পৃথিৱীত যানখন অৱতৰণ কৰাৰ ল'গে লগে শ শ সৈন্য আহি বেঢ়ি ধৰিলেহি - "কোন তোমালোক ? ক'ৰ পৰা আহিছা ?" - সৈন্য এজনৰ প্ৰশ্নত আগন্তুক মাহকাশযাত্ৰী কেইজন আচৰিত হ'ল। নিজৰ ভিতৰতে আলোচনা কৰি তেওঁলোক এটা সিদ্ধান্তত উপনীত হ'ল যে নিশ্চয় ক'ৰবাত কিবা এটা সাংঘাতিক ভুল হৈ গৈছে। "কিন্তু যানখনৰ কম্পিউটাৰতো ঠিকেই নিৰ্দ্দেশ দি আছিল"- এজন মহাকাশযাত্ৰীয়ে মন্তব্য কৰিলে। "আমি নিশ্চয় 'কাল প্ৰসাৰণ'ৰ কবলত পৰিলো" - আন এজনে ক'লে।

আগন্তুক কেইজন উত্তৰ দিবলৈ নাপাওঁতেই - সৈন্য মুৰব্বী মেজৰ গুৰুঙে পুনৰ ক'লে- "বুজিলোঁ, নিশ্চয় তোমালোক কোনো শত্ৰু দেশৰ গুপ্তচৰ নাইবা ভিন্ন গ্ৰহৰ প্ৰাণী"।

"আমি এই ভাৰতৰেই নাগৰিক; কোনো ভিন্ন গ্ৰহৰ বা দেশৰ প্ৰাণী নহয়"- মহাকাশ যাত্ৰী কেইজনৰ নেতা ড° নাৰায়ননে উত্তৰ দিলে। তেওঁক গুৰুত্ব নিদি মেজৰ গুৰুঙে পুনৰ ক'লে -

"অসম্ভৱ; ই কোনোপধ্যে হ'ব নোৱাৰে। বৰ্তমান তোমালোক একবিংশ শতিকাৰ ভাৰতবৰ্ষত প্ৰৱেশ কৰিছা। তোমালোকৰ পিন্ধন-উৰণত আমাতকৈ প্ৰায় দুশ-তিনিশ বছৰ আগৰ সভ্যতাৰ চিনাকি দিছে। তোমালোকক সঠিক বিচাৰৰ বাবে আমাৰ মহামান্য ৰাষ্ট্ৰপতিৰ ওচৰলৈ লৈ যোৱা হ'ব।"- এইদৰে মহাকাশ যাত্ৰাৰ নায়ক ড° নাৰায়নন আৰু সংগীসকলক বন্দী কৰি ৰাষ্ট্ৰপতিৰ ওচৰলৈ লৈ যোৱা হ'ল।

ড° নাৰায়নন আৰু তেওঁৰ সংগীসকল ওঠৰ শতিকাৰ (মোগল সাম্ৰাজ্য) কোনো এটা দিনত পৃথিৱীৰ পৰা মহাকাশযানত উঠি কোনো অদৃশ্য গন্তব্যলৈ যাত্ৰা কৰিছিল। তেওঁলোকে যাত্ৰা কৰা যানখনৰ বেগ পোহৰৰ বেগৰ লগত তুলনা কৰিব পৰা বিধৰ আছিল। তেওঁলোকৰ নিজৰ হিচাপমতে প্ৰায় দুমাহৰ পিছত আকৌ একে ঠাইত অৱতৰণ কৰি দেখিলে যে কিবা এক সাংঘাতিক ভুলৰ বাবে প্ৰায় দুশ বছৰ পিছৰ ভাৰতবৰ্ষ আহি উপস্থিত হৈছে আৰু তেওঁলোকৰ চাৰিওফালে শ শ ভাৰতীয় সৈনিক।

অৱশেষত তেওঁলোকক মহামান্য ৰাষ্ট্ৰপতিৰ ওচৰত হাজিৰ কৰোৱা হ'ল। ৰাষ্ট্ৰপতিয়ে সুধিলে - তোমালোক যে অন্য দেশৰ

কোনো চোৰাংচোৰা বা অন্য গ্ৰহৰ লোক নোহোৰা তাৰ কি প্ৰমান দিবা ?

ড০ নাৰায়ননে মহামান্য ৰাষ্ট্ৰপতিক 'সময় (কাল) প্ৰসাৰণৰ' বিষয়ে সবিশেষ বুজাই দিয়াত তেখেতে পতিয়ন গ'ল আৰু তেওঁলোকক আদৰিলে।

এয়াই হৈছে ড০ নাৰায়নন আৰু তেওঁৰ সংগীসকলৰ মহাকাশ অভিযানৰ কাল্পনিক অভিজ্ঞতা।


কিন্তু এইয়া জাঁনো সম্ভৱ। ওঠৰ শতিকাত যাত্ৰা আৰম্ভ কৰি একৈশ শতিকাত (কাল প্ৰসাৰণৰ বাবে) নাইবা একৈশ শতিকাত যাত্ৰা আৰম্ভ কৰি ওঠৰ শতিকা বা তাৰো আগলৈ (টাইম্ ৱাৰ্গৰ বাবে) যোৱা সম্ভৱনে ? বিভিন্ন বিজ্ঞান ভিত্তিক চিনেমা বা কল্পবিজ্ঞান কাহিনীবোৰত ইয়াৰ বিষয়ে জল্পনা-কল্পনা চলিছে আৰু চলি আছে। কিন্তু ইয়াৰ উত্তৰ দিয়াটো সম্ভৱনে ?

ইয়াৰ বিষয়ে ১৯০৫ চনত মহামতি আইনষ্টাইনে তেখেতৰ বিশেষ আপেক্ষিকতাবাদ (Special theory of relativity) আৰু ১৯১৬ চনত আগবঢ়োৱা সাধাৰণ আপেক্ষিকতাবাদৰ (General theory of relativity) মাজেৰে উত্তৰ দিবলৈ সমৰ্থ হৈছে।

নিউটনৰ মতে স্থান, সময় আৰু ভৰ পৰম (absolute) ৰাশি। কিন্তু আইনষ্টাইনৰ আপেক্ষিকতাবাদমতে উক্ত ৰাশি - কেইটা পৰম নহয়; ইহঁত পৰিবৰ্তনশীল। কোনো এজন মহাকাশযাত্ৰী পোহৰৰ বেগৰ লগত তুলনা কৰিব পৰা বেগত গতি কৰি তেওঁৰ হিচাপমতে ২ মাহ পিছত ঘূৰি আহি দেখা পাব যে পৃথিৱীখন প্ৰায় ২০০ বছৰ আগবাঢ়ি গ'ল। প্ৰকৃততে তেওঁৰ যানখনৰ বেগ ইমান বেছি আছিল যে পৃথিৱীবাসীৰ তুলনাত তেওঁৰ সময় অতি লাহে লাহে আগবাঢ়িছিল। এইয়াই হৈছে আপেক্ষিকতাবাদৰ ওপৰত কল্পনা কৰা সময় (কাল) প্ৰাসাৰণৰ (Time dilation) এক ব্যাখ্যা।

ল'ৰেন্টজ্ নামৰ এজন পদাৰ্থবিদে এই সম্ভৱনাৰ বিষয়ে এক গানিতিক ৰূপান্তৰ সমীকৰণ (Transformation equations) দাঙি ধৰিছে।

ধৰা হ'ল স্থিৰ প্ৰসংগ প্ৰণালী (পৃথিৱী) $S$-ত $O$ এজন নিৰীক্ষক আৰু গতিশীল প্ৰসংগ প্ৰণালী (মহাকাশযান) $S'$ ত $O'$ আন এজন নিৰীক্ষক (মহাকাশ যাত্ৰী)। $S'$ যানখন $S$ৰ পৰা $X$ অক্ষৰ দিশত $V$ সুষম বেগেৰে আঁতৰি গৈছে। এতিয়া $O$ স্থিৰ নিৰীক্ষকজনে তেওঁৰ ঘড়ীৰ দ্বাৰা নিৰ্দ্দিষ্ট দূৰত্ব $X$ ৰ বাবে লগা সময় আৰু গতিশীল যাত্ৰীজনেও তেওঁৰ নিজৰ ঘড়ীৰ দ্বাৰা একে পৰিমানৰ দূৰত্বৰ ($X$) বাবে সময় গননা কৰিব।




যদি গতিশীল যাত্ৰী আৰু স্থিৰ নিৰীক্ষক দুজনৰ ঘড়ীয়ে দেখুওঁৱা আদি আৰু অন্তিম সময়ৰ সংকেত দুটা ক্ৰমে $t'_1, t'_2$ আৰু $t_1, t_2$ হয় তেন্তে লৰেন্টজ্‌ৰ ৰূপান্তৰণ সমীকৰণ মতে -

$$t_1' = \frac{t_1 - v^x/c^2}{\sqrt{\delta - \frac{v^2}{c^2}}} \quad \text{আৰু} \quad t_2' = \frac{t_2 - v^x/c^2}{\sqrt{\delta - \frac{v^2}{c^2}}}$$

য'ত,

V = মহাকাশযানৰ (গতিশীল যাত্ৰী) বেগ

C = পোহৰৰ বেগ

আৰু X = যানখনে (গতিশীল যাত্ৰীয়ে) অতিক্ৰম কৰা দূৰত্ব (স্থিৰ নিৰীক্ষকৰ বাবে)

উক্ত সমীকৰণ দুটাৰ পৰা

$$t_2' - t_1' = \frac{t_2 - t_1}{\sqrt{\delta - \frac{v^2}{c^2}}}$$

বা,

$$t' = \frac{t}{\sqrt{\delta - \frac{v^2}{c^2}}} \quad \text{———— (1)}$$

য'ত,

$t' = t_2' - t_1'$, গতিশীল যাত্ৰীৰ বাবে সময়ৰ ব্যৱধান আৰু

$t = t_2 - t_1$, স্থিৰ নিৰীক্ষকৰ বাবে সময়ৰ ব্যৱধান ।

যিহেতু যানখনৰ বেগ V , পোহৰৰ বেগৰ তুলনীয় (C) হ'লেও V < C গতিকে $v^2/c^2 < 1$, কাজেই $t < t'$ অৰ্থাৎ বৈ থকা নিৰীক্ষকৰ তুলনাত ($t$) গতিশীল যাত্ৰীৰ ($t'$) সময়ৰ ব্যৱধান বেছি। এয়েই কাল প্ৰসাৰণ।

কাল প্ৰসাৰণৰ বাস্তৱ ধাৰণাৰ বাবে ইতিমধ্যে বহু পৰীক্ষা সম্পন্ন হৈ গৈছে। এই ক্ষেত্ৰত টেক্সাচ্ বিশ্ববিদ্যালয়ৰ বিজ্ঞানী ফ্ৰেংক টিপলাৰ আৰু সহকৰ্মীসকলে প্ৰমান কৰিছে যে 'পালচাৰ' নক্ষত্ৰই কাল প্ৰসাৰণৰ চৰ্তসমূহ পূৰণ কৰিব পাৰিছে। তাৰোপৰি কালপ্ৰসাৰণৰ সত্যাসত্য নিৰ্দ্ধাৰণৰ বাবে পায়ন (Pion) কণাৰ ওপৰত সফল পৰীক্ষা হৈ গৈছে।

উচ্চ শক্তি ত্বৰক যন্ত্ৰত অতিশক্তিশালী প্ৰটনৰ দ্বাৰা কোনো লক্ষ্য পৰমানুত আঘাত কৰিলে এই পায়ন কণাৰ উৎপত্তি হয়। ইহঁতৰ ভৰ প্ৰ'টনৰ আৰু ইলেকট্ৰনৰ ভৰৰ মাজত আৰু আধান ধনাত্মক বা ঋনাত্মক যি কোনো হ'ব পাৰে। ত্বৰক যন্ত্ৰত উৎপন্ন এই পায়ন কণাবোৰৰ বেগ প্ৰায় পোহৰৰ বেগ (C) ৰ সমান (০.৯৯C) হয়। দেখা গৈছে যে এই কণাবোৰ তেজস্ক্ৰিয় আৰু সিহঁতক যেতিয়া স্থিৰ অৱস্থালৈ অনা হয় ইহঁতৰ অৰ্ধজীৱন কাল প্ৰায় ১.৭৭ x ১০$^{-৮}$ ছেকেণ্ড হয়। অৰ্থাৎ ১.৭৭ x ১০$^{-৮}$ ছেকেণ্ডৰ অন্তৰালত সিহঁতৰ আধাসংখ্যক কনাৰ অৱক্ষয় হয়।

ত্বৰক যন্ত্ৰত ৰখা লক্ষ্য পৰমানুৰ (Terget nucleus) পৰা নিৰ্গত পায়ন কণাৰ কিৰণে (Pion beam) ০.৯৯C বেগত গতিকৰে আৰু প্ৰায় ৩৯ মিটাৰ ব্যৱধানত ইহঁতৰ প্ৰাবল্য আধা হয়গৈ।

এই পৰীক্ষাটো শুদ্ধনে ?

যদি পায়নকণাৰ অৰ্ধজীৱন কাল (Half life) ১.৭৭ x ১০$^{-৮}$ ছেকেণ্ড বুলি ধৰা হয় আৰু ইহঁতৰ বেগ ০.৯৯C = ২.৯৭ x ১০$^{৮}$ মিটাৰ / ছেকেণ্ড; তেন্তে আধাসংখ্যক পায়ন কিৰণ অৱক্ষয় হৈ প্ৰাবল্য আধা হ'বলৈ অতিক্ৰম কৰা দূৰত্ব - d = বেগ x সময়

= ২.৯৭ x ১০$^{৮}$ x ১.৭৭ x ১০$^{-৮}$

= ৫.৩ মিটাৰ

যিটো পৰীক্ষনীয় মান d = ৩৯ মিটাৰৰ সৈতে অমিল হৈছে।

এই অমিল হোৱাৰ কাৰণ হ'ল বৈ থকা অৱস্থাত পায়ন কণাৰ অৰ্ধজীৱন কাল আৰু গতিশীল অৱস্থাত অৰ্ধজীৱনকাল দুটা বেলেগ বেলেগ হয়।

আপেক্ষিকতা বাদ মতে বৈ থকা অৱস্থাত অৰ্ধজীৱনকাল (সময়) $\mathbf{t}$ হ'লে গতিশীল অৱস্থাত অৰ্ধজীৱনকাল

$$t' = \frac{t}{\sqrt{\delta - \frac{v^2}{c^2}}}$$

য'ত,

$$t = ১.৭৭ \times ১০^{-৮} \text{ ছেকেণ্ড}$$

$$V = ০.৯৯C$$

$$t' = \frac{১.৭৭ \times ১০^{-৮}}{\sqrt{১-(০.৯৯)^২}}$$

$$= ১.৩ \times ১০^{-৭} \text{ ছেকেণ্ড}$$

এতেকে,

$t = ১.৭৭ \times ১০^{-৮}$ ছেকেণ্ড $< t'$ ৰ মান $১.৩ \times ১০^{-৭}$ ছেকেণ্ড।

গতিকে দেখা গ'ল যে পৰীক্ষনীয় প্ৰণালীত পায়নবোৰ উচ্চ গতি সম্পন্ন বাবে এই প্ৰণালীত থকা ঘড়ীয়ে দেখুওঁৱা সময়ৰ ব্যৱধান বেছি হয় অৰ্থাৎ ঘড়ীটো শ্লো যাব।

গতিশীল পায়নবোৰৰ বাবে এই অৰ্ধজীৱনকাল $t' = ১.৩ \times ১০^{-৭}$ ছেকেণ্ড হে শুদ্ধ অৰ্ধজীৱনকাল। গতিকে এই সময়ৰ ব্যৱধানত পায়ন কিৰণবোৰৰ প্ৰাৱল্য আধা হ'বলৈ অতিক্ৰম কৰা দূৰত্ব

$$d = V \times t'$$

$$= ০.৯৯C \times ১.৩ \times ১০^{-৭}$$

$$= ২.৯৭ \times ১০^{৮} \times ১.৩ \times ১০^{-৭}$$

= ৩৯ মিটাৰ (প্ৰায়) যিটো পৰীক্ষাগাৰত প্ৰমানিত শুদ্ধ উত্তৰ।

ইয়াৰ দ্বাৰা এইটো প্ৰতিপন্ন হয় যে আইনষ্টাইনৰ বিশেষ আপেক্ষিকতাবাদমতে গতিশীল অৱস্থাত সময়ৰ প্ৰসাৰণ হয়।

সহায় লোৱা গ্ৰন্থ সমূহ –

1. Introduction to Special Relativity - Robert Resnick.
2. Einsteins theory of Relativy - Max Born.

জীৱনৰ দুখ কষ্ট আৰু ঘাট প্ৰতিঘাট সহ্য কৰাত মদ আৰু মৰফিনতকৈ কামে মানুহক বেছি সহায় কৰে। দীঘলীয়া আৰু কঠোৰ মানসিক পৰিশ্ৰমে মানুহৰ চৰিত্ৰক মহত্ব প্ৰদান কৰে।

\- গ্যোটে

সংগ্ৰাহক -
মিচ স্নিগ্ধা ৰাভা

# মানৱ জীৱন আৰু বিকিৰণ

ধ্ৰুৱ কলিতা
স্নাতক ১ ম বৰ্ষ (কলা)

এটা সাঁথৰেৰে প্ৰসংগটো আৰম্ভ কৰা যাওক। চাৰিটা আখৰেৰে শব্দটো গঠিত। চকু, কাণ, জিভা আৰু নাক এই চাৰিবিধ ইন্দ্ৰিয়ৰে যাৰ উপস্থিতি অনুভৱ কৰিব নোৱাৰি। মাত্ৰ ফটোগ্ৰাফিক প্লেটতহে যাৰ উপস্থিতিৰ প্ৰমান পোৱা যায়। অথচ ই মানুহৰ উপকাৰ আৰু অপকাৰ উভয়তে বৰঙণি যোগায়। এতিয়া শব্দটো কি হ'ব ? শব্দটো হৈছে "বিকিৰণ"। এই প্ৰৱন্ধত বিকিৰণৰ বিষয়েই এটি চমু আলোচনা কৰিবলৈ লৈছো বিকিৰণৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'ৰেডিয়েচন' পদাৰ্থৰ শক্তিয়ে যেতিয়া বিদ্যুৎ চুম্বকীয় তৰংগ ৰূপত গতি কৰে তাকেই বিকিৰণ বোলা হয়। পৃথিৱীৰ মানবজাতি প্ৰতি মূহুৰ্ততে কিছুমান প্ৰাকৃতিক অদৃশ্য বিকিৰণৰ সন্মুখীন হৈ আছে। ইয়াৰ ভিতৰত সূৰ্য্য আৰু বাহিৰৰ জগতৰ পৰা অহা বিকিৰণ আৰু ভূত্বকত পোৱা তেজস্ক্ৰিয় পদাৰ্থৰপৰা পোৱা বিকিৰণেই প্ৰধান। ইয়াৰ উপৰিও বায়ুমণ্ডল আৰু আমি গ্ৰহণ কৰা পানী আৰু আহাৰতো কিছু পৰিমানে গেছীয় ৰূপত তেজস্ক্ৰিয় বিকিৰণৰ উপস্থিতি বৈজ্ঞানিক সকলে প্ৰমান কৰিছে।

বিকিৰণ মানেনো কি ? - বিকিৰণ শব্দটোৰ এটা বহল পৰিসৰ আছে। বিকিৰণ বুলিলে সাধাৰণতে পোহৰ, ৰেডিঅ' তৰংগ আৰু বিভিন্ন 'আয়নীকৰণ' বিকিৰণক (Ionising Radiation) সামৰি লয়। আমি এই প্ৰৱন্ধত ইয়াৰ অৰ্থ আয়নীকৰণ বিকিৰণ হিচাপেহে ব্যৱহাৰ কৰিম। এই খিনিতে পাঠকৰ সুবিধাৰ বাবে আয়নীকৰণ বিকিৰণৰ বিষয়ে অলপ কোৱাৰ প্ৰয়োজনবোধ কৰিছোঁ।

ধনাত্মক বা ঋনাত্মক আধানযুক্ত (বিদ্যুৎ পৰিবহণ কৰা সৰু কণাক আধান বোলা হয়।) সৰু সৰু কণাক সাধাৰণতে আয়ন বুলি কোৱা হয়। যি বিকিৰণে কোনো পদাৰ্থত খুন্দা মৰাৰ ফলত এই আধানযুক্ত কণা বা আয়নৰ সৃষ্টি কৰে সেই বিকিৰণকে আমি আয়নীকৰণ বিকিৰণ বুলি ক'ব পাৰো। এই আয়নীয় বিকিৰণ মানুহৰ শৰীৰৰ বাবে অপকাৰী। যি বোৰ মৌলৰ পৰমানুৰ পৰা এনেধৰণৰ আয়নীকৰণ বিকিৰণৰ উৎপত্তি হয় তেনে মৌল বা পদাৰ্থক তেজস্ক্ৰিয় মৌল বোলা হয়।

বিকিৰণৰ প্ৰকাৰ ঃ বিভিন্ন প্ৰকাৰৰ বিকিৰণ সমূহ হ'ল - ক) আলফা বিকিৰণ খ) বিটা বিকিৰণ গ) গামা বিকিৰণ ঘ) ৰঞ্জন ৰশ্মি আৰু ঙ) নিউট্ৰন বিকিৰণ। এই বিকিৰণ সমূহৰ মানবদেহত হ'ব পৰা ভেদ্যতা সৰ্ম্পকে এটা সম্যক ধাৰণা দিয়া হ'ল।

ক) আলফা বিকিৰণ ঃ ই সাধাৰণতে ধনাত্মক আধানযুক্ত কণাৰে গঠিত প্ৰাকৃতিকভাৱে পোৱা ইউৰেনিয়াম আৰু ৰেডিয়াম নামৰ মৌলই হৈছে ইয়াৰ মুখ্য উৎস। মানৱ দেহত ই চালৰ এক সামান্য অংশলৈ সোমাব পৰা ক্ষমতা আছে। এখন সামান্য ডাঠ কাগজৰ সহায়ত ইয়াক বাধা দিব পৰা যায়। কিন্তু আলফা ৰশ্মিৰ উৎস যদি কিবা প্ৰকাৰে উশাহ নিশাহত গেছ ৰূপে অথবা খোৱা বস্তুৰ লগত দেহৰ ভিতৰলৈ যায় তেন্তে ইয়াৰ ভেদশক্তি কম হোৱা বাবে দেহৰপৰা

বাহিৰলৈ ওলাই আহিব নোৱাৰে। ফলত ই দেহত মাৰাত্মকভাৱে ক্ষতি কৰে।

খ) বিটা বিকিৰণ ঃ বিটা বিকিৰণ সাধাৰণতে ঋনাত্মক আধানযুক্ত ইলেকট্ৰনৰ সমষ্টি। এই বিকিৰণৰ ভেদশক্তি আলফা বিকিৰণতকৈ বেছি। ই অতি সহজভাৱে ১-২ ছেঃ মিঃ পানী অথবা মানব শৰীৰৰ মাজেৰে পাৰ হৈ যাব পাৰে। কেই মিঃ মিঃ মান ডাঠ এলুমিনিয়ামৰ সহায়ত ইয়াক বাধা দিব পৰা যায়।

গ) গামা বিকিৰণ ঃ গামা বিকিৰণ সাধাৰণতে কিছুমান আধান বিহীন কণাৰ সমষ্টি। ইয়াৰ ভেদশক্তি আন দুবিধ বিকিৰণৰ তুলনাত বেছি। ই মানুহৰ দেহৰ মাজেৰে অতি সহজেই পাৰ হৈ যাব পাৰে। ইয়াৰ প্ৰায় ১ মিটাৰ ডাঠ কংক্ৰিটৰ বেৰৰ সহায়ত বাধা দিব পৰা যায়। কংক্ৰিটৰ উপৰিও সীহ নামৰ ধাতুটো ইয়াক বাধা দিবৰ বাবে ব্যৱহাৰ কৰা হয়।

ঘ) এক্সে-ৰে বা ৰঞ্জন ৰশ্মি ঃ এইবিধ বিকিৰণৰ লগত প্ৰায় সকলোৱেই কম বেছি পৰিমানে চিনাকী। এই বিকিৰণ গামা বিকিৰণৰ লগত প্ৰায় একেই। মাথো সিহঁতৰ উৎপত্তি প্ৰক্ৰিয়া বেলেগ বেলেগ এক্সেৰে'ৰ ভেদ শক্তি ই বহণ কৰা শক্তিৰ ওপৰত নিৰ্ভৰ কৰে। শক্তি বেছি হ'লে ইয়াৰ ভেদশক্তিও বাঢ়ি যায়।

ঙ) নিউট্ৰন বিকিৰণ ঃ নিউট্ৰন পদাৰ্থৰ নিউক্লিয়াছত থকা এবিধ আধানবিহীন কণা। এই নিউট্ৰন কণাৰ সমষ্টিয়েই হৈছে নিউট্ৰন বিকিৰণ। ইয়াৰ ভেদশক্তিও অতি বেছি। উচ্চ অক্ষাংশৰ অঞ্চলত ইয়াক ধৰা পেলোৱাটো অতি কঠিন। এই ধৰণৰ বিকিৰণসমূহ সাধাৰণতে নিউক্লীয়া ৰিয়েক্টাৰৰ ভিতৰত উদ্ভৱ হয়। ইয়াক পানীৰ সহায়ত অতি সহজে বাধা দিব পৰা যায়।

বিকিৰণ ড'জ(Dose)বুলিলে আমি কি বুজো ?

যিহেতু বিকিৰণ দৃশ্যমান নহয়, গতিকে ইয়াৰ উপস্থিতি অকল ইয়াৰ ফলত উৎপন্ন হ'ব পৰা বিক্ৰিয়াৰপৰাহে জানিব পৰা যায়। বিকিৰণৰ মাপ আৰু পৰিমানক ড'জ বোলা হয়।

যেতিয়া আয়নিকৰণ বিকিৰণ কোনো পদাৰ্থৰ ওপৰত পৰে তেতিয়া কিছু পৰিমানৰ বিকিৰণ শক্তি সেই পদাৰ্থটোৱে শুহি লয়। এক নিৰ্দিষ্ট ভৰৰ পদাৰ্থৰ বাবে এই শক্তিক শোষিত ড'জ (Absorbed Dose) বোলা হয়। ইয়াৰ একক হ'ল 'ৰেড' (Rad)।

মানবদেহ যেতিয়া কোনো বিকিৰণৰ সন্মুখীন হয় তেতিয়া মানুহৰ দেহৰ কিছু পৰিমাণৰ বিকিৰণ শক্তি শুহি লয়। বিকিৰণ 'ডজ'ৰ পৰিমাণ সাধাৰণতে বিকিৰণৰ হাৰ (প্ৰতি ছেকেণ্ডত পোৱা বিকিৰণৰ পৰিমান) আৰু বিকিৰণৰ প্ৰকাৰৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু যেতিয়া বিভিন্ন বিকিৰণে মানুহৰ দেহৰ ওপৰত ক্ৰিয়া কৰে তেতিয়া প্ৰত্যক্ষ বিকিৰণৰ বাবে বিভিন্ন অংগ যেনেঃ চকু, চাল আৰু হাওঁফাও আদিৰ ওপৰত হ'ব পৰা জৈৱিক ক্ৰিয়া সমূহ বেলেগ বেলেগ হয়। সেইবাবে শোষিত 'ডজ'ৰ আমি এনেক্ষেত্ৰত 'সমতুল্য শোষিত ডজ' বুলি কওঁ আৰু ইয়াৰ একক হ'ল ৰেম (Rem) অথবা মিলি ৰেম (Millirem)।

উদাহৰণ স্বৰূপে, এজন মানুহৰ বুকুৰ এক্সে-ৰে লোৱাৰ ফলত মানুহজনে পাব পৰা ডজৰ পৰিমান হ'ল ২০ মিলি ৰেম। যদি সমতুল্য শোষিত ডজৰ পৰিমান বেছি হয় তেতিয়া ইয়াক চিভাৰ্টত (Sievert) প্ৰকাশ কৰা হয়। এনেক্ষেত্ৰত প্ৰতি ১০০ ৰেমক এক চিভাৰ্ট হিচাপে প্ৰকাশ কৰা হয়।

প্ৰাকৃতিক বিকিৰণৰ উৎসসমূহ ঃ-

প্রকৃতিত পোৱা বিকিৰণসমূহ সাধাৰণতে আমি তিনিটা মুখ্য উৎসৰ পৰা পাব পাৰো।

ক) ভূত্বকত পোৱা তেজস্ক্রিয় মৌলসমূহৰ পৰা Terrestrial Radiation

খ) মহাজাগতিক ৰশ্মিৰপৰা Cosmic Radiation আৰু গ) মানুহৰ দেহত থকা তেজস্ক্রিয় পদাৰ্থৰ পৰা ।

বিকিৰণৰ কৃত্রিম ব্যৱহাৰসমূহ ঃ-

যোৱা তিনি চাৰিটা দশক ধৰি কৃত্রিম বিকিৰণে মানুহৰ দৈনিক জীৱনৰ এক বহুমূলীয়া উপকাৰ কৰি আহিছে। বিভিন্ন ধৰণৰ তেজস্ক্রিয় আইছ'টপৰ (Isotope) পৰা পোৱা শৃংখলত বিকিৰণৰ (Controlled Radiation) সহায়ত বহু ধৰণৰ কাম কৰা হয়। উদাহৰণ স্বৰূপে চিকিৎসা বিজ্ঞানত ব্যৱহৃত হোৱা বস্তুসমূহ নষ্ট নোহোৱাকৈ সংৰক্ষণ কৰা, উন্নত সচৰ বীজ উৎপন্ন কৰা, বিভিন্ন কল কাৰখানাত ৰেডিঅ'গ্রাফ লোৱাৰ বাবে ব্যৱহাৰ হোৱা তেজস্ক্রিয় কেমেৰা সমূহ, তেল কোম্পানীসমূহত ব্যৱহাৰ হোৱা নিউক্লিয়নিক গ'জ সমূহ (Nucleonic Gouge) পৰিবেশ বিজ্ঞান আৰু কৃষি বিজ্ঞানত ব্যৱহাৰ হোৱা পৰীক্ষা নিৰীক্ষাবোৰত বিকিৰণৰ ব্যৱহাৰ হয়। ইয়াৰ উপৰিও আগতে উল্লেখ কৰি অহা মতে চিকিৎসা বিজ্ঞানত অতিকৈ ব্যৱহাৰ হোৱা ৰঞ্জন ৰশ্মি আৰু কৰ্কটৰোগৰ নিৰাময়ৰ বাবে ব্যৱহাৰ হোৱা বিভিন্ন তেজস্ক্রিয় ৰশ্মিৰ উৎস, শক্তি উৎপন্ন কৰা নিউক্লীয় ৰিয়েক্টৰ আৰু প্রক্রিয়া সমূহ জানিবৰ বাবে বিভিন্ন ধৰণৰ তেজস্ক্রিয় আইছ'টপ জুলীয়া অথবা কেপচুল ৰূপত ব্যৱহাৰ কৰা হয়।

মানুহৰ প্রয়োজনৰ খাতিৰত যিহেতু বিকিৰণৰ ব্যৱহাৰ বৰ্ত্তমান ক্রমাগতভাৱে বৃদ্ধি পাই আহিছে গতিকে ইয়াক বিপদমুক্ত ভাবে প্রয়োগ কৰাৰ বাবে ১৯২৮ চনত International Commission on Radiological Protection অথবা চমুকৈ 'ICRP' নামৰ এটা বেচৰকাৰী অথবা স্বাধীনচিতিয়া কমিটি গঠন কৰা হয়। 'ICRP' সাধাৰণতে বিভিন্ন বিষয়ত পৰিদৰ্শিতা পৃথিবীৰ যি কোনো দেশৰ লোকৰে গঠিত। এজন মানুহ ইয়াৰ প্রতিনিধি হ'বৰ বাবে তেওঁ তলৰ যি কোনো এটা বিষয়ত ব্যক্তিগত ভাৱে পৰিদৰ্শিতা দেখুৱাব লাগিব। বিষয়সমূহ হ'ল - ৰেডিঅ'লাজ, ৰেডিয়েচন প্রটেকচন, পদাৰ্থ বিজ্ঞান, স্বাস্থ্য পদাৰ্থ বিজ্ঞান, জীৱ বিজ্ঞান, জেনেটিকচ্, জীৱ ৰসায়ন বিজ্ঞান আৰু জীৱ পদাৰ্থ বিজ্ঞান। যোৱা পাঁচটা দশক ধৰি 'ICRP' য়ে আগবঢ়োৱা তথ্যসমূহ পৃথিৱীৰ সকলো দেশে অনুসৰণ কৰি আহিছে। 'ICRP' য়ে ১৯৭৭ চনত ইয়াৰ ২৬ নম্বৰ ৰিপৰ্টত প্রকাশ কৰা মতে এজন বিকিৰণৰ সতে জড়িত ব্যক্তিয়ে (Radiation Worker উদাহৰণ - এক্স-ৰে টেকনিচিয়ান) বছৰি ৫০ মিলি-চিভৰ্টিতকৈ বেছি ড'জ পোৱাটো বিপদজনক কিন্তু দ্বিতীয় মহাসমৰত পৰমানু বোমাৰ দ্বাৰা আক্রান্ত হোৱা হিৰোচিমা আৰু নাগাচাকিত বাস কৰা লোকৰ ওপৰত চলোৱা অধ্যয়নৰ দ্বাৰা এইটো প্রমানিত হৈছে যে সুৰক্ষিতভাবে কাম কৰাৰ বাবে এই নিৰ্ধাৰিত সীমাৰ মান বহুত বেছি। সেইবাবে ১৯৯১ চনত আকৌ 'ICRP' য়ে ইয়াৰ ৬০ নম্বৰ ৰিপৰ্টত সাধাৰণ লোক আৰু বিকিৰণৰ সতে জড়িত লোকৰ বাবে ড'জৰ সীমা আগতে দিয়া দৰে প্রকাশ কৰিলে ।

বিকিৰণে মানুহৰ দেহত বিভিন্ন ধৰণৰ ক্রিয়া যেনে দেহৰ ভিতৰত হৈ থকা জৈৱিক ক্রিয়াসমূহত বাধা জন্মাব পাৰে। অতিমাত্রা বিকিৰণে মানুহ এজনক মৃত্যুৰ মুখতো পেলাব পাৰে। যদি ১০০ জন মানুহৰ গোটেই দেহত ৬ চিভাৰ্ট পৰিমানৰ ড'জ দিয়া হয় তেন্তে তাৰে ৫০

জন মানুহৰ মৃত্যু অৱশ্যাম্ভাৱী। এজন মানুহৰ দেহত বিকিৰণে ক্ৰিয়া ঘটাব পৰা কাৰণসমূহ হৈছে -

ক) বিকিৰণৰ প্ৰকাৰ ।খ) বিকিৰণৰ হাৰ (প্ৰতি ছেকেণ্ডত পোৱা বিকিৰণৰ পৰিমান) । গ) মানুহজনৰ বয়স, লিংগ আৰু স্বাস্থ্য ।

ইয়াৰ উপৰি বৈজ্ঞানীকসকলে কেন্সাৰৰ দৰে মাৰাত্মক এটা ৰোগৰ বিভিন্ন কাৰকৰ ভিতৰত বিকিৰণো এটা কাৰক হিচাপে নিৰ্ণয় কৰিছে। যদি ১০ মিলিচিৰ্ভটি পৰিমানৰ ড'জ এক নিযুত লোকৰ সৰ্বদেহত দিয়া হয় তেন্তে তাৰে ৫০০ জন লোক কেন্সাৰ ৰোগত ভোগাটো সম্ভৱ। সেইবাবে বৰ্ত্তমান যুগত এজন বিকিৰণ ক্ষেত্ৰত কাম কৰা মানুহৰ সুৰক্ষাৰ বাবে বিকিৰণৰ বাধা (Radiation Protection) নিতান্ত্যই প্ৰয়োজন। বৰ্ত্তমান গোটেই ভাৰতবৰ্ষতে সকলো বিকিৰণ ক্ষেত্ৰত কাম কৰা লোকৰ বাবে বম্বেৰ ট্ৰম্বেত আৱস্থিত 'ভাবা এটমিক ৰিচাৰ্চ চেন্টাৰ'ৰ 'ৰেডিয়লজিকেল প্ৰটেকচন' বিভাগত থকা পাৰ্চনেল মনিটাৰিং শাখাই 'ফিল্ম বেজ'ৰ (Film bedge) সহায়ত মাহেকীয়া ড'জৰ পৰিমান উন্নত বৈজ্ঞানিক পদ্ধতিৰে জুখি উলিওৱাৰ ব্যৱস্থা কৰিছে। ইয়াৰ বাবে কোনো লোকে বিকিৰণৰ ক্ষেত্ৰত তেওঁ পাব পৰা ড'জৰ মান জানিবৰ বাবে কামৰ সময়ত বিভিন্ন ফিলটাৰযুক্ত ৰেডিঅ'গ্ৰাফিক ফিল্মেৰে গঠিত ফিল্ম বেজৰ পৰা পৰিধান কৰা উচিত । ফিল্ম বেজৰ পৰা পোৱা মানৰপৰা এজন লোক তেওঁৰ বিপদমুক্ত কাৰ্য্যৰ প্ৰতি নিঃ সন্দেহ আৰু সচেতন হ'ব পাৰে। যদি কোনো লোকে 'ICRP' যে উল্লেখ কৰা সীমাতকৈ অধিক পৰিমানৰ ড'জ পায় তেন্তে তেওঁৰ প্ৰয়োজনীয় মেডিকেল চেক আপ কৰাই অলপ দিনৰ বাবে কামৰপৰা ছুটী দিয়া প্ৰয়োজন। উল্লেখযোগ্য যে আমাৰ অসমৰ বিভিন্ন ব্যস্ত এক্সৰে চেন্টাৰ সমূহৰ বেছিভাগতে Film bedge ৰ ব্যৱহাৰ নাই ।

বৰ্ত্তমান উন্নত দেশবোৰত বিকিৰণ সংক্ৰান্তীয় গোচৰসমূহ নিস্পত্তি কৰাত সেই দেশৰ আইন কানুনে এক উল্লেখযোগ্য ভূমিকা লৈছে। সেইবোৰে দেশত ৰোগীৰ অনুমতি নাপালে কোনো এজন চিকিৎসকে প্ৰয়োজনতকৈ অধিক এক্সৰে ল'ব নোৱাৰে । কিন্তু ভাৰতবৰ্ষৰ দৰে এখন উন্নতশীল দেশত মানুহে এই কথালৈ মুৰ ঘমোৱাৰ প্ৰয়োজন বোধ নকৰে। ইয়াৰ প্ৰধান কাৰণ হ'ল সাধাৰণ মানুহৰ মাজত থকা বিজ্ঞান শিক্ষাৰ অভাৱ।

ভাৰতত বিপদমুক্ত বিকিৰণৰ প্ৰয়োগৰ বাবে ১৯৮৩ চনত এটমিক এনাৰ্জি এক্টৰ ২৭ নম্বৰ অনুচ্ছেদ অনুসৰি ৫ জন সভ্যৰে 'Atomic Energy Regulatory Board'গঠন কৰা হয়। বৰ্ত্তমান বিকিৰণৰ সকলো কামকাজ এই বৰ্ডৰ দ্বাৰা পৰিচালিত হয়। বিভিন্ন 'ডায়গনেষ্টিক' চেন্টাৰসমূহত এক্সৰে লোৱাৰ সময়ত ৰোগীয়ে বিভিন্ন অংগসমূহৰ (যেনেঃ চকু, স্তন, ছাল ইত্যাদি) পাব পৰা ড'জ নিৰ্ণয় কৰাৰ বাবে 'AERB' যে ভাৰতৰ বিভিন্ন ঠাইৰ ১৫ টা কেন্দ্ৰত ৰিৰ্ছাচ প্ৰজেক্টৰ কাম আৰম্ভ কৰিছে। উত্তৰ পূৰ্বাঞ্চলৰ বাবে গুৱাহাটী মেডিকেল কলেজত এই প্ৰজেক্টৰ কাম চলি আছে। এই প্ৰজেক্টৰ কাম সম্পূৰ্ণ হোৱাৰ পাচত হয়তো বহুতো তথ্য পোহৰলৈ আহিব । □

# পাৰমানিৱক শক্তি আৰু ভাৰত

অজয় ৰাভা
উঃ মাঃ ২ য় বৰ্ষ (বিজ্ঞান)

আমি প্ৰায় সকলোৱে পাৰমানৱিক শক্তি বা আনৱিক শক্তি এক অনিষ্টকাৰী শক্তি বুলি ভাবোঁ। ইয়াৰ মূল কাৰণ হ'ল ইয়াৰ আৱিস্কাৰ হৈছিল দ্বিতীয় মহাসমৰৰ সময়ত। ১৯৪২ চনৰ ২ ডিচেম্বৰ তাৰিখে এনৰিক ফাৰ্মিৰ নেতৃত্বত এদল আৰ্ন্তজাতিক বিজ্ঞানীয়ে চিকাগো বিশ্ববিদ্যালয়ত প্ৰথম বাৰৰ বাবে পাৰমানিৱক ক্ৰিয়া শৃংখলাবদ্ধভাৱে ঘটাবলৈ সক্ষম হয়।

বিজ্ঞানৰ মতে ই এটা বৰ পৰিতাপৰ বিষয়। কাৰণ যি শক্তিৰ দ্বাৰা মানৰ সমাজৰ ইমান উপকাৰ হয় আনহাতে সেই একে শক্তিৰদ্বাৰা ভাবিব নোৱাৰা ধ্বংসও সংঘটিত হয়। মহাসমৰৰ সময়ত প্ৰথম আণৱিক বোমাটো ১৯৪৫ চনত ৬ আগষ্টত জাপানৰ হিৰোশ্বিমা মহানগৰীৰ ওপৰত পেলোৱা হৈছিল আৰু ইয়াৰ তিনি দিনৰ পাছতে জাপানৰ নাগাচাকি নামৰ শিল্প প্ৰধান মহানগৰীখনৰ ওপৰত আন এটা বোমা পেলোৱা হৈছিল। দুয়োটা বোমাৰে মাটিৰ পৰা দহ মিটাৰ ওপৰত বিস্ফোৰণ ঘটিছিল। ইয়াৰ ফলত যি ক্ষতি হ'ল সি সম্পূৰ্ণ অভাৱনীয়। দুয়োখন ধুনীয়া মহানগৰী ধ্বংস স্তূপত পৰিণত হ'ল। ঘৰ-দুৱাৰ ধ্বংস হ'ল, হাজাৰ হাজাৰ মানুহ হয় মৃত্যুৰ মুখত পৰিল, নহয় বিকলাংগ হ'ল। দুয়োটা বিস্ফোৰণতে এক লাখৰ ওপৰ মানুহ মৃত্যুৰ মুখত পৰিল আৰু প্ৰায় পইসত্তোৰ হাজাৰ মানুহ আহত বা সন্ধানহীন হ'ল। পাৰমানৱিক শক্তিৰ এনে বিধ্বংসী প্ৰয়োগ সম্বন্ধে বহু বিতৰ্কিত বিষয় হৈ আছে। ইয়াৰ প্ৰয়োগ সম্বন্ধে এটা খাটাং সিদ্ধান্ত কৰিব পৰা হোৱা নাই।

১৯৪০ চনত বোমা তৈয়াৰ কৰা আৰম্ভ হয়। পাৰমানৱিক বোমা তৈয়াৰ কৰাৰ পাছতো নতুন আৱিস্কাৰক সকল ক্ষান্ত নাথাকিল। ইয়াতকৈও ভয়াবহ মাৰণাস্ত্ৰ তৈয়াৰ কৰা হ'ল। হাইড্ৰ'জেন বোমা ইয়াতকৈও এহেজাৰ গুণে অধিক শক্তিশালী। গধুৰ মৌলৰ কেন্দ্ৰ ভাঙি এই বোমা তৈয়াৰ কৰা হোৱা নাই; পাতল পৰমানুৰ কেন্দ্ৰবোৰ লগ লগাই গধুৰ 'এটম' তৈয়াৰ কৰি হাইড্ৰে'জেন বোমা তৈয়াৰ কৰা হয়। ইয়াতকৈও ভয়ংকৰ মাৰণাস্ত্ৰ হ'ল 'কোবাল্ট বোমা'। এই সকলোবোৰ বোমাকে পৰমাণু কেন্দ্ৰৰ শক্তিলৈ তৈয়াৰ কৰা 'পাৰমাণৱিক বোমা' বোলা হয়।

১৯৪৫ চনত মুম্বাইৰ 'টাটা ইনষ্টিটিউত অব্ ফাণ্ডামেন্টেল ৰিচৰ্চ' নামৰ প্ৰতিষ্ঠানটোত ভাৰতৰ পাৰমানৱিক গৱেষণাৰ সূত্ৰপাত হয়। আৰ্ন্তজাতিক খ্যাতি সম্পন্ন বিজ্ঞানী ডঃ ভাৱা ভাৰতৰ পাৰমানৱিক শক্তিৰ পথ প্ৰদৰ্শক। ১৯৫৬ চনত ট্ৰম্বেত ভাৰতৰ প্ৰথম পাৰমানৱিক 'ৰিয়েক্টৰ' স্থাপন কৰে। ইয়াক কেন্দ্ৰ কৰিয়ে 'ভাৱা পাৰমানৱিক গৱেষণা কেন্দ্ৰ গঢ়ি উঠিছে। লাহে লাহে পাৰমাণৱিক গৱেষণাৰ ক্ৰমোন্নতি হয় আৰু বিভিন্ন ঠাইত ইয়াৰ শক্তি উৎপাদন কেন্দ্ৰ গঢ়ি উঠে। ১৯৬৫ চনত 'তাৰাপুৰ'ত ভাৰতৰ প্ৰথম পাৰমানৱিক শক্তি কেন্দ্ৰ স্থাপিত হয়। ইয়াৰ উপৰিও ৰাজস্থানৰ 'ৰাণা প্ৰতাপ সাগৰ' (কোটা), তামিলনাডুৰ 'কলপক্কম' আৰু উত্তৰ প্ৰদেশৰ 'নাৰোৰা'ত পাৰমানৱিক শক্তি কেন্দ্ৰ গঢ়ি উঠিছে।

'Atomic Energy Commission' নামক সংস্থাৰ অধীনত ভাৰতীয় পৰমানু বিজ্ঞান বিশ্বৰ আন আন উন্নতকামী ৰাষ্ট্ৰৰ সমানে দক্ষতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। ৰাচিয়া আৰু কানাডাৰ সহযোগত ভাৰতে প্ৰথম ৰিয়েক্টৰৰ কাম আৰম্ভ কৰে। বৰ্তমান ভাৰতে সেই ক্ষেত্ৰত স্বাৱলম্বিতা অৰ্জন কৰিছে। আমাৰ দেশত এই বিষয়ৰ বিজ্ঞানী, কাৰিকৰী কৌশল আৰু ইয়াৰ বাবে আৱশ্যকীয় বিভিন্ন উপাদানৰ অভাৱ বৰ্তমান নাই।

১৯৭৪ চনৰ মে মাহৰ ১৮ তাৰিখটো ভাৰত বুৰঞ্জীত এটা স্মৰণীয় দিন। সেই দিনটোতে ৰাজস্থানৰ 'পোখৰাণ' নামৰ ঠাইৰ ভূগৰ্ভত ভাৰতৰ প্ৰথম পাৰমানৱিক বোমাৰ বিস্ফোৰণ কৰা হয়। ভাৰতে এই বিস্ফোৰণত কৃতকাৰ্য্যতা লাভ কৰি পৃথিৱীত যষ্ঠ পাৰমানৱিক শক্তিৰ অধিকাৰী বুলি বিশ্বৰ দৰবাৰত সন্মান লাভ কৰিলে। দীৰ্ঘদিন ব্যাপী সাধনাত লিপ্ত হৈ থকা ভাৰতীয় গৱেষকসকলে সিদ্ধি লাভ কৰিলে। পৃথিৱীৰ আন আন ৰাষ্ট্ৰই বিস্মিত চকুৰে ভাৰতক সমালোচনাও কৰিলে। পাৰমানৱিক শক্তিক লৈ দম্ভ কৰি থকা ৰাষ্ট্ৰসমূহৰ আত্মমৰ্যাদাত ভাৰতে যেন কুঠাৰাঘাত কৰিলে। বিশ্বৰ নানা সমালোচনাৰ মোখনি মাৰি ভাৰতে দঢ়াই দঢ়াই আজিও কৈ আহিছে যে ভাৰতে এই শক্তি কেৱল শান্তিৰ বাবেহে ব্যৱহাৰ কৰিব। বিধ্বংসকাৰী মাৰণাস্ত্ৰ হিচাপে ভাৰতে ইয়াক কেতিয়াও ব্যৱহাৰ নকৰে। ভৱিষ্যতৰ বাবে ভাৰতৰ ই এক আশাৰ বাণী। কিয়নো প্ৰকৃতিয়ে দিয়া কয়লা আৰু তেল পৃথিৱীত ইমান বেছিকৈ ব্যৱহাৰ কৰা হৈছে যে সময়ত নাইকীয়া হৈ এদিন এই শক্তিবোৰ লোপ পাব। বিশ্বৰ মানুহে আশা কৰিছে এদিন পৰমানু শক্তিয়ে এক বিকল্প শক্তিৰ উৎস স্বৰূপে মানৱ সভ্যতাত ইন্ধন যোগাব।

পাৰমানৱিক শক্তিয়ে এতিয়া আমাৰ উন্নতিৰ বাবে আগবাঢ়ি আহিছে। এটা বিস্ফোৰণতে ইয়াৰ কেন্দ্ৰত থকা শক্তিসমূহ আৱশ্যক নকৰে। যান্ত্ৰিক কৌশলৰদ্বাৰা শক্তিসমূহক নিয়ন্ত্ৰিত কৰা হয় আৰু ইয়াকেই 'নিউক্লিয়াৰ ৰিয়েক্টৰ' বোলা হয়। এনে ৰিয়েক্টৰ বিলাকে ইতিমধ্যে কাম আৰম্ভ কৰিছে। সময়ত ই অন্য উৎসৰ পৰাও শক্তি আহৰণ কৰিব। গতিকে বৰ্তমান ব্যৱহাৰ কৰি থকা শক্তিসমূহ যদি সময়ৰ সোঁতত নাইকীয়া হৈ যায়, তথাপি আমাৰ কাম বন্ধ নহ'বগৈ বুলি আশা কৰা হৈছে। নিউক্লিয়াৰ ৰিয়েক্টৰে আচৰিত ধৰণে কাম আৰম্ভ কৰিছে। ই জাহাজ আৰু চাবমেৰিণক শক্তি যোগাইছে আৰু নিউক্লিয়াৰ চাব-ষ্টেচনত বিজুলি শক্তি উৎপন্ন কৰিছে। পাৰমানৱিক শক্তিৰ সহায় লৈ 'নৌটিলাচ' নামৰ চাবমেৰিণখনে উত্তৰ মেৰুৰ বৰফৰ তলেদি প্ৰশান্ত মহাসাগৰৰ পৰা আটলাণ্টিক মহাসাগৰ পাৰ হৈ আহিছিল। এই শক্তি শূণ্যত দীঘলীয়া যুদ্ধৰ বাবেও উপযোগী হ'ব। চন্দ্ৰত যদি কেতিয়াবা মানুহে চুবুৰি পাতি বাস কৰিব খোজে, তেন্তে তাত প্ৰয়োজনীয় শক্তিৰ ইন্ধন ইয়ে যোগান ধৰিব ।

সেয়ে ভাৰতে পৰমানু শক্তি বিধ্বংসকাৰী মাৰণাস্ত্ৰ হিচাপে ব্যৱহাৰ নকৰি শান্তিৰ বাবে নানা কামত খটুৱাবলৈ যৎপৰোনাস্তি চেষ্টা কৰি আহিছে আৰু তাৰ বাবে গৱেষক সকলে কঠোৰ সাধনাত লিপ্ত হৈছে। ভাৰতৰ আদৰ্শ হ'ল শান্তি, অহিংসা আৰু সহাৱস্থান। ভাৰত যদিও আজি পৰমানু শক্তি অধিকাৰী তথাপি এই আদৰ্শৰ পৰা বিচলিত নহয় বুলি দৃঢ় ভৱে বিশ্বত ঘোষণা কৰিছে। মানৱ কল্যাণৰ বাবে এই শক্তিয়ে নতুন নতুন বাট মুকলি কৰিছে। ইয়াৰ বহু বিস্ময়কৰ কথা ইতিমধ্যে আমাৰ মাজলৈ আহিছে আৰু বহুতো আহিবলৈ এতিয়াও বাকী আছে ।



# মৰমীৰ উপলব্ধি

সুৱৰ্ণ ৰায়, মিচ্ স্নিগ্ধা দেৱী ৰায়
স্নাতক ২য় বৰ্ষ, কলা

**If you are coming down through**
**The nerrows of the river king**
**Please let me know before hand**
**And I will come out to ...........**

হঠাৎ মৰমীৰ মনত পৰিছিল এজৰা (EZRA) পাউণ্ডৰ এই করুণ কবিতাফাঁকিলৈ। স্তব্ধ হৈ গৈছিল তাইৰ হাঁহি। চকুলো বৈ গৈছিল ক্লাচ্ ৰুমৰ ভিতৰতে। সিদিনা ক'লেজলৈ গৈ মৰমীয়ে মাকৰ কথা ভাবি উচুপি ৰৈছিল। মাকে তাইক বহু কষ্টৰে ডাঙৰ কৰিলে। তাইৰ তিনি বছৰ বয়স হোৱাৰ সময়তে তাইৰ দেউতাকৰ মৃত্যু হৈছে। এজৰা পাউণ্ডৰ এই কবিতাফাঁকিত থকাৰ দৰে মৰমীৰ মাকেও অকাল বৈধব্যৰ যন্ত্ৰণা পাইছিল। দেউতাক নথকাৰ বাবে মৰমীৰ জীৱনলৈ নামি আহিছে অজস্ৰ দুখ-যাতনা। আজি কলেজলৈ গৈয়ো তাই হতাশা অনুভৱ কৰিছে। এতিয়া তাই ভাল সাজ পোচাক পিন্ধিবলৈ নেপায়, দেউতাক নথকাৰ বাবে। সেইবাবে তাই কলেজলৈ গৈয়ো হতাশা অনুভৱ কৰিছে। কলেজীয়া জীৱন মৰমীৰ বাবে হৈ পৰিছে অকলশৰীয়া।

মৰমী দাস, এগৰাকী উচ্চতৰ মাধ্যমিক ২য় বৰ্ষৰ ছাত্ৰী । তাই এখন সৰু চহৰৰ কলেজত পঢ়ে। চহৰখনৰ পৰা তিনি কিঃ মিঃ দূৰৰ গাওঁ এখনত তাইৰ ঘৰ।

তাই শ্ৰেণীকোঠাত বহি আছে অৰ্থনীতি বিজ্ঞানৰ ক্লাচ কৰিম বুলি। ঘড়ীটোলৈ চাই দেখিলে বেল পৰিবলৈ বেছি সময় নাই। মাথোন ২ মিনিট বাকী। যথ সময়ত তাইৰ হাত ঘড়ীটোৱে ১১.১৫ মিনিটৰ কাটা অতিক্ৰম কৰিলে। লগে লগে চিনাকী অচিনাকী বহুতো ল'ৰা-ছোৱালী সোমাই আহিল ৰুমটোলৈ। সকলোৰে উদ্দেশ্য অৰ্থনীতি বিজ্ঞানৰ ক্লাচ্‌টো। মৰমীয়ে সকলোৰে মুখলৈ দৃষ্টি নিক্ষেপ কৰি দেখিলে যে তাইৰ বান্ধৱী কৰবী আৰু মাজনী আজি দুয়োজনীয়ে অহা নাই। সেইবাবে আজি তাই অকলশৰে বহি থাকিবলগীয়া হৈছে।

শ্ৰেণীকোঠাটোত এক গুমগুমীয়া শব্দ বাজি আছে। মৰমীয়ে ভাবিলে ! কিহৰ শব্দ এয়া। এয়া জানো মানুহৰ মুখেৰে ইজনে সিজনৰ আগত প্ৰকাশ কৰা কণ্ঠস্বৰ নহয় ? এক সপোন পোৱাৰ দৰে ধপ্‌কৈ উঠিল তাইৰ কলিজাতো। ৰুমটোত ইমান কোলাহল পূৰ্ণ পৰিৱেশ এটাৰ সৃষ্টি হৈছে অথচ তাই অকলশৰে বহি আছে নীৰৱে। আজি মৰমীয়ে কথা পাতিবলৈ এজন বন্ধু বা বান্ধৱী এজনী বিচাৰি পোৱা নাই। তাইৰ ওচৰত বহুতো ল'ৰা-ছোৱালী বহি আছে যদিও সকলোৱে ব্যস্ত

নিজকে লৈ। প্ৰায় সংখ্যক বেঞ্চত কথা-বতৰা চলিছে ল'ৰা-ছোৱালী উভয়ে উভয়ৰ মাজত। অৱশ্যে দুই-এখন বেঞ্চত কেৱল ছোৱালী-ছোৱালীয়ে কথা-বতৰা পতা নাই বুলি ক'ব নোৱাৰি।

ইতিমধ্যে দহ মিনিট সময় পাৰ হৈ গ'ল। কিন্তু শ্ৰেণীত শিক্ষক অহা নাই, মৰমীয়ে অলপ বিৰক্তি অনুভৱ কৰিলে। তাই ভাৱিলে যদি এই ক্লাচটো নহয় তেতিয়াহ'লে তাই এনেদৰে গছৰ-মূৰাৰ দৰে বহি থাকিব লাগিব। কাৰণ কলেজত প্ৰত্যেকৰে এজন বা দুজন প্ৰকৃত বন্ধু-বান্ধৱী থাকে। কিন্তু আজি তাইৰ বান্ধৱী দুয়োগৰাকী অনুপস্থিত সেইবাবে আজি তাই অকলশৰে বহি আছে । আন আন ল'ৰা-ছোৱালীবোৰ মৰমীৰ ওচৰতে বহি আছে যদিও তাই আটাইকে চিনি নাপায়। তাৰোপৰি প্ৰেমিক-প্ৰেমিকাৰ সংখ্যা অধিক। আৰু কিছুমান ছোৱালীৰ লগত তাই মিলিব নোৱাৰে। বিশেষকৈ স্মাৰ্ট গাৰ্লবোৰৰ লগত মৰমীয়ে মিলিব নোৱাৰে। কাৰণটো কি তাকেই তাই ভাৱি আছে এখন বেঞ্চৰ কাষত বহি। মৰমী বহি থকা বেঞ্চখনত এহাল ল'ৰা ছোৱালী আছে যদিও সিঁহত দুজন খুব ব্যস্ত। সিহঁতক দেখিলে ভাব হয় যেন কাৰোবাক ঘুৰি চাবলৈ সিহঁতৰ অকনো সময় নাই। মৰমীয়ে ভাবিলে-

ঃ নিশ্চয় ইহঁত প্ৰেমিক-প্ৰেমিকা ! তাৰোপৰি তাইৰ তুলনাত সিঁহত দেখাত খুব স্মাৰ্ট।

ভাদমহীয়া দিন। বতৰৰ অৱস্থাও ভাল নহয়। আকাশখন ক'লা মেঘে ঢাকি ধৰিছে। শিক্ষক শ্ৰেণীত নহা বাবে বহুতো ল'ৰা-ছোৱালী ওলাই গ'ল ৰুমটোৰ পৰা। মৰমীয়ে ওলাই যাব বিচাৰিছিল। কিন্তু কাৰ লগতনো যাব। কাৰণ তাইৰ Boy friend নাই আৰু Girl friend য়ো কমসংখ্যক। সংগী বিচাৰি নাপাই অকলশৰেই বহি থাকিল তাই ৰুমটোত।

মৰমীয়ে ভাবি থাকোতে ছন্দোময় গতিত নামি আহিল এজাক বৰষুণ। জিৰ জিৰ শব্দ। সেই সুৰ, আদ্ৰতা আৰু বতাহৰ মিশ্ৰিত শব্দত যেন সংকুচিত হৈ আহিল উন্মাদ চৌদিশ। এক অন্ধকাৰময় পৰিৱেশৰ সৃষ্টি হ'ল কলেজখনত। বৰষুণৰ এই উন্মাদনাই শিক্ষকক ক্লাচ্ লোৱাত বাধা প্ৰদান কৰিলে। কিছুমান ৰুমত শিক্ষকে ক্লাচ্ কৰি আছিল যদিও বৰষুণৰ টোপালবোৰৰ ফলত ব্যৰ্থ হ'ল। সেইবোবে বৃদ্ধি হ'ল কলেজীয়া ছাত্ৰ-ছাত্ৰীবোৰৰ কলেজত আনন্দ, ফুৰ্তি, তামাচা। কিছুমানে ব্যস্ত হৈ পৰিল প্ৰেমত। কিছুমানে ধূৰ্তামি, উদ্ভাণ্ডালি আদিত। আন এজাকে হয়তো জুম বান্ধি বহি ভাল কথাকেই আলোচনা কৰিছে।

মৰমীয়ে হাত ঘড়ীটোলৈ চাই দেখিলে সময় ১১.৪০ মিনিট। তেতিয়া তাই বুজি পালে এই ক্লাচ্‌টো আৰু হোৱাৰ সম্ভাৱনা নাই। ইয়াৰ পিছৰ ক্লাচ্‌টোও যে হ'ব তাৰো সম্ভাৱনা কম। কাৰণ বৰষুণ ক্ৰমান্বয়ে বেছি হৈ আহিছে। গতিকে, এতিয়া তাই কি কৰে। তাই অকলশৰে বহি থকাৰ বাবে হয়তো কিছুমান ল'ৰা-ছোৱালীয়ে তাইক মাজে সময়ে লক্ষ্য কৰিছে। সেইবাবে অলপ লাজো পালে তাই।

তাই বহি থকা ৰুমটোত খুব কোলাহ'ল পূৰ্ণ পৰিৱেশ এটাৰ সৃষ্টি হৈ আছে । কিছুমানে ব্যস্ত হৈ আছে প্ৰেমত। আনহাতে কিছুমান ধূৰ্ত ল'ৰাই হিন্দী চিনেমাৰ নায়কৰ (হিৰ') দৰে ৰূপ ধাৰণ কৰি ইজনে-সিজনৰ ওপৰত জপিয়াই পৰিছে। দুই এখন বেঞ্চত বন্ধু-বান্ধৱী সমূহৰ মাজত খুব ৰোমাণ্টিক গল্প। মৰমী তাৰ মাজত অকলশৰীয়া। হঠাৎ তাই ভাবিলে ঃ এয়াই জানো কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ কাম, ক্লাচ্ নহ'ল বুলি ইমান গণ্ডগোল কৰিব লাগেনে।

শেষত উপায় নাপাই ওলাই গ'ল তাই ৰুমটোৰ পৰা। হয়তো কোনোবা কোঠাত তাইৰ চিনাকী ছোৱালী থাকিব পাৰে। কিন্তু গৈ দেখিলে কলেজৰ চাৰিওপিনে একেই পৰিবেশ। অৱশেষত তাইৰ দৃষ্টিত পৰিল এটা কোঠাত কেইজনমান ছোৱালী জুম বান্ধি কথা পাতি আছে। সেই ৰুমটো খুব সৰু । তাত প্ৰেমিক-প্ৰেমিকা বা ল'ৰা-ছোৱালীৰ কোলাহল কম, সেইবাবে তাইও সেই ৰুমটোতেই সোমাই গ'ল আৰু এখন কিতাপ উলিয়াই লৈ বহি থাকিল। কিতাপখন হাতত ল'লে হয়, কিন্তু মৰমী কিতাপৰ কথাত মনোযোগ দিব পৰা নাই। লগে লগে তাই পুনৰ উচুপি ৰ'ল আৰু মাকৰ কথা মনলৈ আহিল। মাকে তাইক কলেজত সকলোৰে লগত মিলি থাকিবলৈ কয়। কিন্তু তাই মিলি থাকিবলৈ ব্যৰ্থ হৈছে কিয় ? এইবোৰ কথা আজি তাইৰ বাবে এক প্ৰশ্নত পৰিণত হৈছে। তাই আজি নিজকে ঘিণ কৰিছে জীৱন, যৌৱন আদিৰ বিষয়ে। কলেজত ইমান ল'ৰা-ছোৱালী অথচ তাইৰবাবে বন্ধুৰ অভাৱ ।

তাইৰ কিয় দুজনেই মাথো বান্ধৱী বাৰু ? তাই নিজকে প্ৰশ্ন কৰিলে, কিন্তু তাই লগে লগে মনতে ভাবিলে যে -

ঃ নিশ্চয় মই দেখিবলৈ বেয়া নহয়তো মই আজলী নাইবা মই লাজকুৰীয়া স্বভাৱৰ।

কলেজত আজিলৈকে মোলৈ কোনেও প্ৰেমৰ প্ৰস্তাৱ দিয়া নাই। কিন্তু দৈনিক কিমান ন'ৰাই কিমান ছোৱালীক প্ৰেমৰ প্ৰস্তাৱ দি আছে তাৰ লেখ-জোখ নাই। গতিকে, নিশ্চয় মই দেখিবলৈ কুৎচিত।

কিন্তু এনেদৰে ভবাৰ লগে লগে তাইৰ মনলৈ আৰু এটা কথা জাগিল। সেয়া হ'ল যিবোৰ ছোৱালী প্ৰেমত ব্যস্ত, সিহঁতো অতি ধুনীয়া নহয়। কিন্তু তেনেস্থলত .......... নিজে প্ৰশ্ন কৰি উত্তৰ উলিয়ালে।

ঃ অ বুজিছো, সিহঁতৰ ফেচ্ (মুখ) কাটিং বেয়া যদিও পোচাক-পাটিয়ে বেচ জিলিকাই তুলিছে। দামী চুৰিদাৰ পৰিধান কৰাৰ ফলত সিহঁতক হিন্দী চিনেমাৰ হিৰোইন যেন লাগে। তাৰোপৰি সিহঁত অতি চঞ্চলা। চঞ্চলা গাভৰুৰ কলেজত ফিল ..........। এটা কবিতা লিখাৰ কথা ভাবিলে মৰমীয়ে চঞ্চলা হ'লে ল'ৰাবোৰে তৎক্ষণাত মাতিবলৈ সাহস কৰে আৰু চঞ্চলা গাভৰুৰ লগত সকলো ল'ৰাই ধেমালি কৰি ভাল পায়। কিন্তু মোৰ দৰে দেউতাক নথকা দুখীয়া পৰিয়ালৰ ছোৱালী এজনীয়ে কেতিয়াও সিহঁতৰ সৈতে Standard মিলাই চলিব নোৱাৰিম।

নিশ্চয় ধনী মানুহৰ ল'ৰা-চোৱালী এইবোৰ। বেচ দামী পোচাক পৰিধান কৰিছে। ফলত সিঁহতক একেলগে থকাত চিনেমাৰ হিৰো-হিৰোইন যেন লাগিছে। কিন্তু মই জানো সিহঁতৰ লগত মিলিব পাৰিম। নাই, নোৱাৰিম। কলেজীয়া জীৱনত স্মাৰ্ট গাৰ্ল বোৰৰ লগত মই কেতিয়াও মিলিব নোৱাৰিম। কাৰণ মোৰ দৰে দুখীয়া ছোৱালী এজনীৰ মুখৰ কাটিং ভাল যদিও মই ষ্টাইল কৰিব নাজানো। কিন্তু আমাৰ কলেজৰ ধনী পৰিয়ালৰ ছোৱালীবোৰ ষ্টাইলত বেচ আগবঢ়া। ষ্টাইল কৰি নিজকে এজনী ধুনীয়া ছোৱালীৰূপে ফুটাই তুলিব জানে। তাৰোপৰি চঞ্চলা। সেইবাবে সিহঁত কলেজত গোলাপ ফুলৰ দৰে। কিন্তু মই হ'লো অতি নিঃ কিন। মোৰ দৰে ছোৱালীবোৰ হ'ল মদাৰ ফুলতকৈও তলত। গতিকে সিহঁতৰ লগত মই আৰ্থিক পৰিস্থিতিয়ে মোক কলেজীয়া জীৱনত কেতিয়াও এজনী ধুনীয়া ছোৱালীৰূপে ফুটাই নুতুলিব। মোৰ Standard নাই বাবে কলেজত বন্ধু-বান্ধৱীৰ অভাৱ। মোৰ দৰে ছোৱালীবোৰক স্মাৰ্ট ছোৱালীবোৰে ঘিণ কৰে।

ল'ৰাবোৰেও ঘিণ কৰে। নকৰে বন্ধুত্ব স্থাপন।

হয়, আজি মই উপলব্ধি কৰিব পাৰিছোঁ। আজিৰ যুগত প্ৰেম এক স্বাৰ্থপৰ বস্তুত পৰিণত হৈছে। Friendship ৰ ক্ষেত্ৰতো স্বাৰ্থই প্ৰাধাণ্য লাভ কৰিছে। যিপ্ৰেম এসময়ত গঙ্গাজলৰ দৰে পৱিত্ৰ আছিল তাত এচাম যুৱক-যুৱতীয়ে বিষ ঢালিলে। গতিকে, এনেকুৱা স্বাৰ্থপৰ প্ৰেমৰপৰা মই নিজকে আঁতৰাই ৰাখিম, যি বন্ধুত্বৰ ক্ষেত্ৰত স্বাৰ্থ ভৰি আছে। তেনেকুৱা বন্ধুত্বৰ পৰাওঁ আতৰি থাকিম। স্বাৰ্থপৰ বন্ধু-বান্ধৱীৰ আশ্ৰয় নলও কলেজীয়া জীৱনত। আজিৰ পৰা সব বন্ধ। প্ৰেম বন্ধুত্ব সকলো পৰিহাৰ কৰিলো। আদৰিঁলো ত্যাগক। নকৰো প্ৰেম, নালাগে কলেজত ভাল বন্ধু-বান্ধৱী। কলেজত অকলশৰে থাকি হ'লেও নিজকে এগৰাকী সৎ-স্বভাৱৰ ছাত্ৰী ৰূপে চিনাকী দিম।

এনেদৰে এক বুজন পৰিমানৰ চিন্তাই বেৰি ধৰিছিল সিদিনা মৰমীৰ মনটোক, হয়তো সিদিনা তাই ক'ব পৰা নাছিল, তাই হেনো ক'ত আছে। এটি ক্লাচৰ অপেক্ষাৰত অৱস্থাত এটি কোঠাত অকলশৰে বহি ভাবি গৈছিল জীৱন, যৌৱন, প্ৰেম, বন্ধুত্ব আদিৰ বিষয়ে, তাইৰ কলেজখনৰ অস্তিত্বও হেৰাই যোৱা কোঠাতো তাই উপলব্ধি কৰিছিল। মানৱ জীৱন আৰু তাৰ উদ্দেশ্যৰ বিষয়ে সেইদিনাই তাই উপলব্ধি কৰিছিল। মুঠতে উপলব্ধিৰ অন্ত নাছিল সিদিনা মৰমীৰ।

## হাহিঁৰ থুনপাক

স্বাস্থ্য মন্ত্ৰী তেওঁৰ অধীনস্থ মানসিক চিকিৎসালয় এখন পৰিদৰ্শন কৰিবলৈ গ'ল। তেওঁ ডাক্তৰক ক'লে, "মই আৰোগ্য হোৱা এজন ৰোগীৰ লগত ৰোগীৰ লগত কথা পাতিব খোজোঁ।" ডাক্তৰে অলপ সুস্থ হোৱা ৰোগী এজনক মাতি দিলে।

মন্ত্ৰীয়ে ৰোগীক ক'লে - "তুমিক জানানে মই কোন? মই এই ৰাজ্যৰ স্বাস্থ্য মন্ত্ৰী।"

ৰোগী অলপ হাঁহি - "চিন্তা নকৰিবা ভাই, তুমিও ইয়াত সুস্থ হৈ উঠিবা। যেতিয়া মই ইয়ালৈ আহিছিলোঁ, মইতো নিজকে প্ৰধান মন্ত্ৰী বুলিয়ে কৈছিলোঁ।

কণপিতৌ - "অই, ঘৰৰ ভিতৰৰ পৰা কি গালি পাৰিছ'। দম আছে যদি বাহিৰলৈ ওলাই আহ; বাপেৰৰ বিয়া দেখুৱাই দিম, বাপেক্কে।

বাপুকন - তই মোক কি বিয়া দেখুৱাবি? মই দেউতাৰ বিয়া ভি.চি.পি. কেছেটত দেখিছোও, যা।

শিক্ষক - "কচোন ৰঘু, 'ৰাম এটা ভাল ল'ৰা' - এইটো ভৱিষ্যত কালত ক'লে কি হ'ব?

ৰঘু - "ৰামে ভৱিষ্যত ভাল স্বভাৱ ল'লে ভাল হ'ব আৰু বেয়া স্বভাৱ ল'লে বেয়া হ'ব।


সংগ্ৰহ - অমৃত কলিতা

স্নাতক - ১ ম বৰ্ষ (কলা)

# প্ৰথম প্ৰেম

- কৃষ্ণ বাহাদুৰ ভূজেল
স্নাতক প্ৰথম বৰ্ষ (কলা)

সন্ধ্যা নামিছে তেতিয়া। নিৰ্মল আকাশৰ কোনোবা এঠাইৰ পৰা জোনবাইয়ে ছটিয়াই দিছে স্নিগ্ধ জোনাকৰ আভা আমাৰ মাজলৈ। আৰু অলপ পিছতে হয়তো কুঁৱলিৰ মৃদু পৰশ পৰিব আমাৰ মাজত। পাতল কুঁৱলিৰ মাজেৰে নিৰ্মল আকাশৰ পৰা জোনবাইটোৱে ছটিয়াই দিয়া স্নিগ্ধ জোনাকৰ নিশা এয়া। কুঁৱলিৰ পৰশে প্ৰকৃতি সেমেকি উঠাৰ সময় এয়া। মৃদু মলয়াছাটিৰ সৈতে কৰবাৰ পৰা ভাহি আহিছে শেৱালিৰ সুগন্ধি । গা-মন যেন শিয়ৰি উঠিছে, তেনে লাগে। চাওঁ-নে চাওঁকৈ আছে ঠাণ্ডাৰ বতাহজাকে,প্ৰকৃতিৰ এয়াই সম্ভৱ মায়া। নিজে নিজৰ মাজত হেৰাই যোৱা মায়া এয়া। ক'ব নোৱাৰোঁ প্ৰেমৰ পৰিবেশৰ বাবেও হ'ব পাৰে। "তোমাৰ সৈতে চিনাকি নোহোৱা হ'লেই ভাল আছিল, অচিনাকি চাৱনিৰে কথা ক'ব পাৰি আঁতৰে আঁতৰে, জুখি চাব পাৰি বুকুৰ ভিতৰে বাহিৰে। নিসংকোচে থ'ব পাৰি চকুত চকু, ................"



ডিভানখনৰ ওপৰত গাৰু এটা ভেজা দি শুই আছো মই, কাষতে জ্বলি আছে সুগন্ধি ধূপডাল। ডিভানখনৰ সন্মুখত এটা টাপত নাচি বাগি আছে এজোপা জোপোহা সেউজীয়া কিবা গছ। টাপৰ গছজোপাৰ কোমল পাতবোৰ এতিয়াও সেমেকা নাই।পৰিবেশটোৱে প্ৰেমৰ। হয়টো এনে পৰিবেশত প্ৰেমৰ কথাবোৰ নকওঁ বুলিও ওলাই আহে অজানিতে।মোৰো হয়তো তেনে হৈছে। সেয়ে প্ৰেমৰ সেই চিৰন্তন সত্য কথাবোৰ যি হয়তো কঁহুৱা বনতকৈয়ো কোমল, কুঁৱলিতকৈও মনোৰম। শৈশৱকালত প্ৰেম মানে ভূল ধাৰণা এটা আছিল। কিন্তু, বয়স হৈ অহাৰ লগে লগে প্ৰেমৰ ওপৰত থকা সেই ধাৰণাও সলনি হৈ আহে। জীৱনৰ অভিজ্ঞতাবোৰৰ পৰাই আমি আচলতে কিবা এটা ধাৰণা কৰি লওঁ। প্ৰেমৰ ওপৰত কৰা আমাৰ ধাৰণাবোৰো জীৱনৰে একো একোটা অভিজ্ঞতা বুলি ক'ব পাৰি।

মোৰ বয়স তেতিয়া ১৯/২০ বছৰ। মোৰ লগৰ একে ক্লাছতে পঢ়া ছোৱালী এজনীক মোৰ কিবা এটা ভাল লাগে তেতিয়া। ছোৱালীজনীৰ লগত মই অতি সহজ ভাবে চিনাকি হ'লো। কথা পাতিলো ভালদৰে। লাহে লাহে ছোৱালীজনীৰ প্ৰতি মোৰ দুৰ্বলতা আহিব ধৰিলে। প্ৰেম বুলি ক'ব পাৰিনে নাই নাজানো যদিও তাইৰ প্ৰতি এক অদ্ভুত আকৰ্ষণ, মৰম আছে মোৰ মাজত। তাইক

প্ৰতিদিনে লগ পাব লাগিব মই। নহ'লে মন যে নামানে তীব্ৰ অভিমানো আছে আমাৰ মাজত। আমি প্ৰায়েই একেলগে ফুৰো। 'মিষ্টিমুখত' বা 'লক্ষী কেবিনত' প্ৰায়েই চাহ খাওঁ। মুঠৰ ওপৰত আমাৰ মাজত এক অদ্ভুত সম্পৰ্ক গঢ়ি উঠিছিল। সেয়া কি ক'ব নোৱাৰোঁ। হয়তো প্ৰেম। ছোৱালীজনীৰ কথা আনে ভালকৈ ক'লে মোৰ কিবা এটা ভাল লাগি উঠে। কোনোৱে যদি তাইৰ বিষয়ে কিবা বেয়াকৈ কয় মই যেন তাক মাৰি পেলাম তেনে লাগে। কোনোবা ল'ৰাই যদি তাইৰ হাতত ধৰি ভালকৈ কথা পাতে তেতিয়া মোৰ খং উঠে। ক্লাছলৈ কেতিয়াবা তাই নাহিলে মোৰ ক্লাছত অলপো মন নবহে। বহু ছোৱালীৰ মাজত কেবল তাইৰ প্ৰতি এনে ভাব কিয় আহিছিল মই অলপো বুজা নাছিলোঁ। সেই সময়ত সাধাৰণতে ল'ৰা-ছোৱালীৰ মাজত অলপ জোকোৱা-জুকুৰি হয়। সেই ছোৱালীজনীৰ প্ৰতিহে মোৰ বিশেষ দুৰ্বলতা আছে সেই কথা বন্ধু-বান্ধৱীবোৰে গম পাইছিল। সেয়ে হয়তো তেওঁলোকে আমাৰ দুয়োকে জোকাবলৈ ধৰিলে। তাইকো লগৰ ছোৱালীবোৰে জোকায় মোৰ লগত। এনেদৰে জোকোৱাৰ ফলতে মই অজান শিহৰণত জাগি উঠোঁ মাজে মাজে। মনৰ কোনোবা কোণত যেন ক'ব নোৱাৰাকৈয়ে অকণমান ঠাই আলফুলেৰে অধিকাৰ কৰি লৈছে ইতিমধ্যে তাই। তাইৰ প্ৰতি গভীৰ দুৰ্বলতাৰ ভাব জাগি উঠিল মোৰ মনৰ মাজত। এই দুৰ্বলতাই প্ৰেম নেকি বাৰু ? কিয় মই ইমান ছোৱালীৰ মাজত কেৱল তাইৰ প্ৰতি ইমান দুৰ্বল হৈ পৰিছোঁ ?

এয়াই হয়তো প্ৰেম। কেতিয়াও বুজি নোপোৱা এই প্ৰেম। সকলো বুজিও একোকে নুবুজা এই প্ৰেম। কেতিয়াবা বহুতৰ মাজত কেতিয়াবা কাৰোবাক ভাল লাগে। কিয় ভাল লাগে সেয়াও আমি নাজানো। সেয়াও আমি নাজানো। সেয়াই যে প্ৰেম তাক দৃঢ়তাৰে ক'ব নোৱাৰিলেও এয়া যে প্ৰেমৰে এক ৰূপ সেয়াও মাজে মাজে অনুভৱ হয়। যেতিয়া আমি কিবা বিচাৰোঁ দাবী কৰোঁ আশা কৰো গভীৰ ভাবে। প্ৰেমিকাৰ ওচৰত দাবী কৰাৰ দৰে হয়তো মোৰো তেনে হৈছিল যদিও সেয়া যে প্ৰেম বুজা নাছিলোঁ তেতিয়া। কলেজ বন্ধত ঘৰলৈ গলে মোৰ যে তাইলৈ লাজ লাগে অলপ অলপ। কিয় এই লাজ ভাব আহে একোকে ক'ব নোৱাৰোঁ মই। কিন্তু, এই লাজ ভাবৰ মাজতে যে প্ৰেম আছে সেয়া মই প্ৰথমবাৰৰ বাবে অনুভৱ কৰিছোঁ। হয়তো তাইলৈ অজানিতে কৰা এই লাজৰ পৰাই মোৰ প্ৰথম প্ৰেমৰ অনুভৱ হ'বলৈ ধৰিলে মনৰ কোনোবা কোণত। সেই সময়ৰ মোৰ এজন ভাল বন্ধু কৰণে ক'লে যে যদি মই তাইৰ আগত স্পষ্টৰূপে কথাবোৰ ক'ব নোৱাৰোঁ তেন্তে এখন চিঠিৰ যোগেদি মনৰ ভাৱ প্ৰকাশ কৰিব লাগে। বন্ধুজনৰ উৎসাহ আৰু লগৰবোৰৰ কথাৰ জোৰতে এদিন তাইলৈ বুকুৰ মাজত অতদিনে সযতনে ৰাখি থোৱা কথাবোৰৰ বাবে প্ৰেম পত্ৰ লিখিলোঁ এবাৰ সুবিধা পাই মনে মনে হাতৰ টিপতে সযতনে ৰাখি থোৱা চিঠিখন তাইক দিলোঁ ।


মোৰ যেন আৰু তাত ৰ'বলৈ সাহস নাই। লগে লগে ঘৰলৈ দৌৰ দিছোঁ। হৃদপিণ্ডৰ স্পন্দন যেন মই নিজেই শুনিবলৈ পাইছো। প্ৰচণ্ড ভাবে যেন মেঘে গৰ্জিছে মোৰ বুকুৰ মাজত । এতিয়া বা কি হয়। কিন্তু সকলোবোৰ জল্পনা-কল্পনাৰ অন্ত পেলাই পাতল কুঁৱলীৰ মাজেৰে ওলাই অহা শাৰদীয় জোনটোৰ দৰে ভাল লগাকৈ দুদিনমানৰ পিছত তাইৰ পৰা এখন চিঠি আহিল। আহিল মোৰ আশাক, মোৰ কল্পনাক পূৰ্ণ সঁহাৰি জনাই তাইৰ পৰা প্ৰত্যুত্তৰ। শাৰদীয় নিৰ্মল স্নিগ্ধ জোনাকৰ কুঁৱলিৰ মাজত যেন মই নিজকে এৰি দিম এনে লাগিছিল মোৰ। ক'ব নোৱাৰোঁ মোৰ



